


# ৰৌদ্ৰস্নাতা

ৰংপুৰ ছাত্ৰী নিবাসৰ বাৰ্ষিক আলোচনী

২০২৫ বৰ্ষ

শিৱসাগৰ ছোৱালী কলেজ

সম্পাদিকা

শিল্পীশিখা বুঢ়াগোহাঁই



জ্যোৎস্নালী চেতিয়া
অধিক্ষীকা বাইদেউ



বাসন্তী বৰুৱা
মেট্ৰন বাইদেউ



বৰ্তমান ৰংপুৰ ছাত্ৰী নিবাস



অতীতৰ ৰংপুৰ ছাত্ৰী নিবাস

## হোষ্টেলৰ বিভিন্ন দায়িত্বত থকা ছাত্ৰীসকল



পলক পাল
মনিট্ৰেচ



বৰ্ষা ৰাণী বৰা
মনিট্ৰেচ



শিল্পী শিখা বুঢ়াগোহাঁই
পুথিভঁৰাল আৰু আলোচনী বিভাগ



পৰিণীতা গ
সমাজসেৱা

# ৰৌদ্ৰস্নাতা


শিৱসাগৰ ছোৱালী কলেজ
ৰংপুৰ ছাত্ৰী নিৱাসৰ বাৰ্ষিক আলোচনী
২০২৫ বৰ্ষ

সম্পাদিকা
শিল্পী শিখা বুঢ়াগোহাঁই

# ৰৌদ্ৰস্নাতা

## শিৱসাগৰ ছোৱালী কলেজ

## ৰংপুৰ ছাত্ৰী নিৱাসৰ বাৰ্ষিক আলোচনী, ২০২৫ বৰ্ষ




**সম্পাদনা সমিতি ঃ**

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীযুতা জ্যোৎস্নালী চেতিয়া |
| সম্পাদিকা | ঃ | শিল্পী শিখা বুঢ়াগোহাঁই |
| সদস্যা | ঃ | পলক পাল, বৰ্ষা ৰাণী বৰা, পৰিণীতা গগৈ, আকাংক্ষা দিহিঙীয়া |
| প্ৰকাশ কাল | ঃ | ২০২৫ চন |
| প্ৰকাশক | ঃ | ৰংপুৰ ছাত্ৰী নিবাস |
| বেটুপাত | ঃ | কস্তুৰী গগৈ |
| মুদ্ৰণ | ঃ | বিনায়ক অফচেট, শংকৰ মন্দিৰ ৰোড, শিৱসাগৰ |



# উচৰ্গা

সমাজৰ বাধা নেওচি যিসকল নাৰীয়ে নিজকে
স্বাৱলম্বীভাৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ লগতে
আন দহগৰাকী নাৰীৰ বাবে আদৰ্শ হৈ স্বাৱলম্বীতাৰ বাট
দেখুৱাইছে, সেইসকল নাৰীৰ হাতত এই সংখ্যাৰ
“ৰৌদ্ৰস্নাতা”ক শ্ৰদ্ধাৰে উচৰ্গা কৰিলো।

# কৃতজ্ঞতা

আৱাসৰ অধীক্ষিকা শ্ৰীযুতা জ্যোৎস্নালী চেতিয়া বাইদেউ, মেট্ৰন মেম আলোচনীখনলৈ বিভিন্ন লেখা আগবঢ়াই সৌষ্ঠৱ বৃদ্ধি কৰা লেখিকাসকল, RCN ৰ প্ৰতিগৰাকী আৱাসী, কৰ্মচাৰীৰ লগতে আলোচনীখন প্ৰস্তুত কৰোঁতে বিভিন্ন ধৰণৰ সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক শ্ৰীযুত প্ৰবীণ শৰ্মা ছাৰ আৰু বিনায়ক অফছেটৰ সমূহ কৰ্মকৰ্তা, সকলোলৈকে আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

# শুভেচ্ছা বাণী

বিগত বৰ্ষৰ দৰে এইবাৰো ৰংপুৰ ছাত্ৰী নিবাসৰ আলোচনী 'ৰৌদ্ৰস্নাতা' প্ৰকাশ কৰিবলৈ লোৱা হৈছে বুলি জানিব পাৰি সুখী হৈছো।

নতুন লেখক তথা পাঠক সৃষ্টিত এখন আলোচনীৰ বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত বিশেষ ভূমিকা থাকে। পাঠ্যপুথিৰ উপৰিও অন্যান্য গ্ৰন্থ-আলোচনী পঢ়াৰ অভ্যাসে আমাৰ মানসিক উৎকৰ্ষ সাধনত প্ৰভূত অৰিহণা যোগায়।

আশা কৰিছো, ৰংপুৰ ছাত্ৰী নিবাসৰ আবাসী সকলৰ মাজত থকা সৃজনী শক্তি এই আলোচনীখনৰ বিভিন্ন মানবিশিষ্ট লেখাৰ যোগেদি প্ৰকাশ পাব আৰু এই সৃষ্টিসমূহ তথা অভিজ্ঞতালব্ধ লেখাসমূহে ভৱিষ্যতৰ আবাসীসকলকো সৃষ্টিশীলতাৰ কৰ্ষণ কৰিবলৈ অনুপ্ৰেৰণা যোগাব।

সম্পাদিকা প্ৰমুখ্যে সম্পাদনা সমিতিৰ সমূহ সদস্যা তথা এই আলোচনীখনৰ লগত জড়িত সকলোকে অভিনন্দন জনাইছো আৰু 'ৰৌদ্ৰস্নাতা'ৰ ৰৌদ্ৰোজ্বল ভৱিষ্যত কামনা কৰিছো।

— ড° প্ৰতিম শৰ্মা
অধ্যক্ষ
শিৱসাগৰ ছোৱালী কলেজ

মিনাক্ষী পেৰ্মে, অ.অ.সে.
অতিৰিক্ত জিলা আয়ুক্ত,
শিৱসাগৰ

জিলা আয়ুক্তৰ কাৰ্যালয়,
শিৱসাগৰ, অসম -৭৮৫৬৪০

নংঃ এচ.ডি.ডি/শিক্ষা/বিবিধ/৩১/২০১৬/৪৮২
দিনাংক ২০ মাৰ্চ, ২০২৫ চন।

## শুভেচ্ছা বাণী

শিৱসাগৰ জিলাৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ "ৰংপুৰ ছাত্ৰী নিবাস"ৰ আৱাসীসকলে ২০২৪ বৰ্ষৰ আলোচনী "ৰৌদ্ৰস্নাতা" প্ৰকাশৰ যো-জা কৰিছে বুলি জানি আনন্দিত হ'লো।

উচ্চশিক্ষাৰ ক্ষেত্ৰত সৃষ্টিশীল মানসিকতাৰে মহাবিদ্যালয়খনে প্ৰতিষ্ঠাকালৰে পৰা এক গৌৰবোজ্জল ইতিহাস বহন কৰি আহিছে আৰু চিন্তাচৰ্চাৰ দিশত ৰংপুৰ ছাত্ৰী নিৱাসেও এখিনি কলাসুলভ তথা চৰ্চাৰ লগত জড়িত ছোৱালীৰ মানসিক উৎসৰ্গ সাধনৰ তামীঘৰা হিচাবে প্ৰকৃতিক বুকুত লৈ নিজৰ আৱেষ্টনীত সোমোৱাই ৰাখিছে।

ৰংপুৰ ছাত্ৰী নিৱাসৰ এই প্ৰয়াসত মই নথৈ আনন্দিত হৈছোঁ। ৰৌদ্ৰস্নাতাৰ প্ৰতিটো পৃষ্ঠাই পাঠকক প্ৰভাৱিত কৰক আৰু চিন্তাৰ উৎকৰ্ষ সাধন কৰাওক; এই কামনাৰে আলোচনীখনৰ সম্পাদকৰ লগতে ইয়াৰ লেখক তথা প্ৰকাশনৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ মোৰ শুভকামনা জনালোঁ।

ভৱদীয়,

(মিনাক্ষী পেৰ্মে, অ.অ.সে.)

# শুভেচ্ছা বাণী

ভাৰতীয় নাৰী যুগে যুগে বন্দিত। ভাৰতীয় নাৰীয়ে প্ৰতিটো যুগতে নিজৰ জ্ঞান-গৰিমাৰে সকলো দিশতে শ্ৰেষ্ঠত্ব আহৰণ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান যুগতো নাৰীয়ে শিক্ষা-দীক্ষা, বিজ্ঞান-কলা, ক্ৰীড়া-প্ৰশাসনিক সেৱা দিশতে পাৰদৰ্শিতা দেখুৱাই আগবাঢ়ি যাবলৈ সক্ষম হৈছে। তথাপিও কিন্তু সমাজত ঠায়ে ঠায়ে নাৰীৰ প্ৰতি বৈষম্যমূলক আচৰণ দূৰ হোৱা নাই। গাৰ্গী, মৈত্ৰেয়ী আদিৰ দৰে প্ৰাচীন ভাৰতৰ নাৰীসকলে যেনেকৈ বিভিন্ন প্ৰতিবন্ধকতা আৰু বিপৰীত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি নিজৰ দক্ষতাৰে সময় বালিত অক্ষয় কীৰ্তি ৰাখি থৈ যাবলৈ সক্ষম হ'ল, ঠিক তেনেকৈ ৰংপুৰ ছাত্ৰী নিবাসৰ প্ৰতিগৰাকী আবাসীয়ে সমাজৰ একোগৰাকী সবল আৰু স্বনিৰ্ভৰশীল নাৰী হিচাবে নিজক প্ৰতিষ্ঠা কৰক।

ৰংপুৰ ছাত্ৰী নিবাসে জন্মলগ্নৰে পৰা ইয়াৰ আবাসীসকলক একতা আৰু মানৱীয় মূল্যবোধৰ শিক্ষা দিয়াৰ সমান্তৰালকৈ মৌলিক চিন্তা-চৰ্চাৰ উৎকৰ্ষ সাধনৰ জৰিয়তে সৃষ্টিৰ শক্তি আৰু জ্ঞানৰ উত্তৰণৰ দ্বাৰা সমাজৰ সচেতন আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়াত সহায় কৰি আহিছে। ছাত্ৰীসকলৰ মৌলিক চিন্তাৰ কৰ্ষণৰ ফচল 'ৰৌদ্ৰস্নাতা'ক ন-সাজেৰে সজাই প্ৰকাশ কৰিবলৈ কৰা প্ৰচেষ্টাক শলাগ লৈছো লগতে আলোচনীখনে পূৰ্বৰ গৰিমা অটুট ৰাখক তাকে কামনা কৰিলো।

— জ্যোৎস্নালী চেতিয়া
অধীক্ষিকা, ৰংপুৰ ছাত্ৰী নিৱাস
শিৱসাগৰ ছোৱালী কলেজ
০২-০৪-২০২৫

# মনৰ যদি শান্তি বিচাৰে

বাসন্তী দেৱী
মেট্ৰন বাইদেউ

বৰ্তমান সময়ত বা সৃষ্টিৰ আৰম্ভণিৰ পৰা শেষলৈকে চাবলৈ হ'লে আমি য'ত বাস কৰিছো এই পৃথিৱীখন একোখন ৰঙ্গমঞ্চ। আমি প্ৰতি গৰাকীয়েই এই ৰঙ্গমঞ্চৰ একোগৰাকী ভাৱৰীয়া। এই পৃথিৱীলৈ আমি আহিছো ভাও দিবলৈ। নিজৰ ভাও অনুসৰি শৰীৰৰূপী বস্ত্ৰ ধাৰণ কৰি ভাও দি আছো। নাটক শেষ হ'লে নিজৰ ঘৰলৈ উভতি যাব লাগিব।

এই ভাও দি থকা সময়খিনিত বিভিন্ন চৰিত্ৰৰ ৰূপ দিবলগা হয়। কাৰোবাৰ চৰিত্ৰই ভাও দিব লাগে ৰজাৰ, কাৰোবাৰ চৰিত্ৰই ভাও দিব লাগিব প্ৰজাৰ বা দুখীয়া, ধনী ইত্যাদি চৰিত্ৰৰ ৰূপায়ন কৰিবলগা হয়। নাটকত কৰাৰ দৰে আমি বাস্তৱ জীৱনত ক'ত কিমান দুখ কষ্ট বা কোনোবাই সুখ শান্তিৰে জীৱন কটাব লগা হয়। বাস্তৱ জীৱনত ঘটা ঘটনাবোৰৰ কিবা নহয় কিবা ৰহস্য থাকে। চলি থকা আমাৰ যাত্ৰাত সুখতকৈ যেন দুখ অশান্তিৰে আমাৰ জীৱন ভাৰাক্ৰান্ত হৈ থাকে। ধনী-দুখীয়া, ৰজা-প্ৰজা সকলোৰেই আজি অশান্তি। শান্তি পাবৰ বাবে সন্যাসীসকলে পাহাৰে-পৰ্বতে, ভক্তসকলে মন্দিৰ তীৰ্থস্থানত ঘূৰি আছে কিন্তু শান্তি জানো ক'ৰবাত বিচাৰি পাইছে? ধনী জনৰো শান্তি নাই, দুখীয়া জনৰো শান্তি নাই। শান্তি তেওঁলোকে ক'ত বিচাৰি পাব?

আমাৰ তেজ মঙহৰে গঠিত শৰীৰটোত দুই চেলাউৰিৰ মাজত ভ্ৰূকুটিত আত্মা থাকে। ই অজৰ অমৰ অবিনাশী। ঠিক তেনেদৰে ভগৱানো অশৰীৰি এটি জ্যোতিবিন্দু স্বৰূপ। তেওঁ পৰম ধামৰ নিবাসী। যি সময়ত আত্মা পৰম ধামত থাকে পৰম পিতাৰ ওচৰত তেওঁলোক তেতিয়া শান্তিত থাকে। সেই সময়ত তেওঁলোক নিৰ্বিকাৰী আৰু পৱিত্ৰ হৈ থাকে। পৃথিৱীলৈ আহি অপবিত্ৰ হয়। লোভ, মোহ, কাম, ক্ৰোধ, অহংকাৰত লিপ্ত হয়। তেতিয়াই জীৱনলৈ দুখ অশান্তি নামি আহে। য'ত সুখ আছে তাত শান্তি আছে য'ত দুখ আছে তাত অশান্তি থাকিবই। পতিত বিকাৰি আত্মা নিজেই নিজৰ শত্ৰু। নিজেই নিজৰ মিত্ৰ সিজনেই হয় যি দুখদায়ক বিকাৰবোৰ দূৰতে বিদুৰ কৰি পঠিয়ায়। নৰকৰূপী বিকাৰ যেনে লোভ, মোহ আদি এই বিকাৰবোৰক যদি এৰি পঠিয়াব পাৰো আৰু নিজকে পৰম

পিতাৰ স্মৃতিত ৰাখিব পাৰো তেতিয়া বিকৰ্মৰ পৰা হাত সাৰি পৰম শান্তিত থাকিব পাৰিম। ঈশ্বৰীয় জ্ঞান আৰু আধ্যাত্মিক যোগ শিক্ষাৰ দ্বাৰা মনক পৰিৱৰ্তন আৰু পৱিত্ৰ কৰিব পাৰিলে জীৱনলৈ সুখ, শান্তি অচিৰেই আহিব।

গীতাত ভগৱানে কৈছে— "শান্তি পাবলৈ হ'লে মনক অন্য কোনোফালে যাবলৈ নিদি মোকে স্মৰণ কৰা যদি তোমাৰ মন মোতেই অৰ্পণ কৰা তেতিয়া তুমি পাপৰ পৰা মুক্তি পাই পৰম শান্তি বা সুখ লাভ কৰিব পাৰিবা।"❖

(বিঃদ্ৰ- এই কথাখিনি লিখিবলৈ প্ৰজাপতি ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ পুথি "প্ৰকৃত মনৰ শান্তি" নামৰ কিতাপখনৰ সহায় লোৱা হৈছে। যদি কোনোবাই মনৰ অশান্তি দূৰ কৰিব বিচাৰে তেন্তে শিৱসাগৰত থকা প্ৰজাপতি ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়লৈ যাব পাৰে।)

# সম্পাদকীয়



লিখনিৰ আৰম্ভণিতে ৰংপুৰ ছাত্ৰী নিবাসৰ প্ৰয়াত-জীৱিত প্ৰতিষ্ঠাতাসকলক আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো।

মহাবিদ্যালয় বা হোষ্টেলৰ আলোচনী একোখন সেই শিক্ষানুষ্ঠানটোৰ দাপোনস্বৰূপ, যি দাপোনত প্ৰতিফলিত হয় প্ৰতিভাসম্পন্ন ছাত্ৰীৰ কবিতা, সৃষ্টিশীল সাহিত্য আৰু আন কিছুমান লেখত ল'বলগীয়া উচ্চ মানদণ্ডৰ লিখনি। হোষ্টেলৰ সেই গণ্ডীৰ মাজত থকা আবাসীসকলৰ মাজতো লুকাই আছে একোগৰাকী কবি, নাট্যকাৰ, গল্পকাৰ আদিৰ প্ৰতিভা। তেওঁলোকৰ সেই প্ৰতিভা বিকাশৰ বাবে হোষ্টেলৰ আলোচনী প্ৰকাশ কৰা হয়। যিসকল আবাসী সাহিত্যৰ প্ৰতি অনুৰাগ আছে তেওঁলোকে সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ পায়।

আহোম স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালত নিৰ্মাণ কৰা বৰ্তমান বিশ্বৰ বুকুত নিজক ঐতিহাসিক কীৰ্তিচিহ্ন হিচাপে চিনাকি দিবলৈ সক্ষম হোৱা শিৱদল। এই শিৱদল ভাগৰ কাষৰতেই অৱস্থিত উজনি অসমৰ নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ শিৱসাগৰ ছোৱালী কলেজ। এই শিৱসাগৰ ছোৱালী কলেজৰ এটি অবিচ্ছেদ্য অংগ ৰংপুৰ ছাত্ৰী নিবাস। চমুকৈ RCN। এই RCNৰ প্ৰতিগৰাকী আবাসীৰ হৃদয় চুই যাবলৈ সক্ষম হোৱা আলোচনী 'ৰৌদ্ৰস্নাতা'।

হোষ্টেলীয়া জীৱনৰ প্ৰতিটো আৱেগ-অনুভৱবোৰ একত্ৰিত কৰি ৰৌদ্ৰস্নাতাখন সজীৱ কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। দেউতাৰ মৰম আৰু মাৰ আঁচলত ধৰি ঘূৰি ফুৰি আন এখন ঘৰত প্ৰৱেশ আৰু নিজৰ ঘৰখনতকৈও আপোন হৈ পৰা হোষ্টেলটো। আচৰিত লাগে এই পৰিৱৰ্তনবোৰ দেখি, কিমান কি কি যে শিকিব পাৰি। প্ৰতিটো দিনেই নতুন নতুন অভিজ্ঞতা। ৰাতিপুৱা ৬ বজাৰ পৰা ৰাতি ১০ বজালৈকে দিয়া এটা এটা ঘণ্টাৰ ধ্বনিয়ে সময় কিমান যে মূল্যবান তাক বাৰুকৈয়ে উপলব্ধি কৰিবলৈ শিকায়। প্ৰত্যেকটো উৎসৱ-পাৰ্বণ পালনৰ দ্বাৰা আবাসীসকলৰ

মাজত একতা মনোভাৱ দৃঢ় কৰে।

২০১৩ চনত জন্ম হোৱা আমাৰ মৰমৰ ৰৌদ্ৰস্নাতা, ৰংপুৰৰ পখিলীজাকৰ এক আশাশুধীয়া প্ৰচেষ্টা। ইয়াৰ প্ৰতিটো পৃষ্ঠাতে আৱেগ জড়িত হৈ আছে আবাসীসকলৰ।

শেষত, ৰৌদ্ৰস্নাতা প্ৰকাশত সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা হোষ্টেলৰ অধীক্ষিকা মহোদয়া, মেট্ৰন বাইদেউ, আলোচনীখনৰ খুটি-নাটি সৰাত সহায় কৰা মোৰ সহপাঠীবৃন্দ আৰু অনুজসকলৰ লগতে বিনায়ক অফচেটৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতাৰ লগতে ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত, ৰংপুৰৰ ৰৌদ্ৰস্নাতাখনি প্ৰকাশ কৰোঁতে অনেক ভুল-ত্ৰুটি ৰৈ যাব পাৰে তাৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। ৰংপুৰ ছাত্ৰী নিবাসৰ এই নিজস্ব স্বকীয়তা ৰৌদ্ৰস্নাতা চিৰদিন প্ৰবাহমান হৈ থকা আশাৰে সম্পাদকীয় টোকাটো সামৰিলো।

— শিল্পীশিখা বুঢ়াগোহাঁই
সম্পাদিকা
ৰৌদ্ৰস্নাতা-২০২৫

# অনুক্ৰমণিকা

## প্ৰবন্ধৰ চানেকী


- টাইটানিক ধ্বংস ঃ এক হৃদয়বিদাৰক সামুদ্ৰিক দুৰ্ঘটনা — গৌৰী বৰুৱা /১৪
- ৰাসলীলাৰ ঐতিহ্য আৰু মাজুলী — হিমাদ্ৰী চেতিয়া/১৭
- চন্দ্ৰপ্ৰভা শইকীয়ানী ঃ নাৰী শিক্ষাৰ বাটকটীয়া — শ্যামলীমা সন্দিকৈ/১৯
- আউনীআটী সত্ৰ আৰু ইয়াৰ ভিতৰ চৰাৰ কিছু বৰ্ণনা — প্ৰেৰণা ফুকন/২১
- নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা — প্ৰীতিৰেখা ঘাটোৱাৰ/২২
- বৰ্তমান সমাজ আৰু সংস্কৃতি — মৌচুমী বৰুৱা/২৩
- Mobile Addiction is Real — Astha Chutia/২৪
- Importance of Education — Nandita Tanti/২৫
- My Hope, Her Pen — Kasturi Gogoi/২৬


## কবিতা


- অভিনয় — ৰিংকুমনি হাতীমূৰীয়া/২৭
- সৰ্বস্ব তুমি নাৰী — অংকিতা গগৈ/২৭
- স্মৃতিৰ টোপোলা — পলক পাল/২৮
- ফাগুন হে আহিবা — জাফৰিন চুলতানা ৰহমান/২৯
- হোষ্টেল — পল্লবী গগৈ/২৯
- আধুনিক জীৱনৰ অন্তঃ সাৰশূন্যতা বিষয়ক — ভিতালী দুৱৰা/৩০
- মা — দয়না চাংমাই/৩১
- অনুভৱ — বৰ্ষা ৰাণী বৰা/৩১
- এইয়া যেন ফাগুনৰ সময় — পম্পী গগৈ/৩২
- তাই — কস্তুৰি গগৈ/৩২
- এই মানৱ পৃথিৱীৰ মানৱৰ এক কাহিনী — দৃষ্টিপ্ৰিয়া গগৈ/৩৩
- নিদিবাচোন বিদায় ৰংপুৰ — গিৰিমল্লিকা গগৈ/৩৩
- আইৰ সমান হ'ব কোন — তৃষ্ণা বড়া/৩৪
- ফাগুন — শাশ্বতী বৰা/৩৪

○ বিদায় বেলাত ফাগুনৰ চিঠি — দীপশিখা দত্ত/৩৫
○ নিশাৰ জ্যোতি — ত্ৰিদিশা গগৈ/৩৫
○ শব্দ — মৌমিতা বৰুৱা/৩৬
○ গৰ্লস্‌ হাঁস্তল কী দুনিয়া — Astha Borah/৩৬
○ **The Silence You Noticed** — Kasturi Gogoi/৩৭
○ **The place of green butterflie's** — Anindeeta Gogoi/৩৮
○ **Be a Leader** — Nikhita Phukon/৩৮


## অনুভৱৰ টোপোলা


○ অনুভৱ মোৰ প্ৰীতিৰ স্মৃতি — বাগ্মী শইকীয়া/৩৯
○ সময় — কৰবী শইকীয়া/৪১
○ জীৱন — দিশা ৰাজকুমাৰী/৪২
○ সুখ দুখৰ মাজেৰে জীৱন — টুটুমণি চেতিয়া/৪৩
○ বন্ধুত্ব — গিৰিমল্লিকা গগৈ/৪৪
○ ৰংপুৰ ছাত্ৰী নিবাসৰ প্ৰথম দিনাৰ অভিজ্ঞতা — ডৱিণ হাজৰিকা/৪৬
○ অচিনাকিৰে গঢ়া আপোন সম্পৰ্কবোৰ — পৰিণীতা গগৈ/৪৭
○ অনুভৱৰ পাতত ৰংপুৰ ছাত্ৰী নিবাস — নম্ৰতা শইকীয়া/৪৮
○ এক অনন্য অনুভৱ RCN — আকাংক্ষা দিহিঙ্গীয়া/৪৯
○ সন্ধিয়া ৫.৩০ বজাৰ পিছৰ অনুভৱ — মুছকান চাব্বা হুছেইন/৫১
○ ৰংপুৰ — বৰ্ষা ৰাণী বৰা/৫২
○ সেই সময়বোৰ আমাৰ আছিল — গায়ত্ৰী বৰুৱা/৫৪
○ নেতিবাচক চিন্তা ধ্বংসৰ মূল — নিশিতা ফুকন/৫৬
○ **Maggi May be Unhealthy, But These Memories Aren't** — Kasturi Gogoi/৫৮
○ মোৰ এটি মিঠা ভ্ৰমণ কাহিনী — দীপশিখা টায়ে/৬০


## গল্পৰ কুঁহি


○ মৰহা দুবৰিত পৰা নিয়ৰ — নিশিতা ফুকন/৬১
○ সপোনৰ পূৰ্ণতা — মুস্কান বাৰ্মা/৬৩
○ **Did You Ever Find Me?** — Kasturi Gogoi/৬৫
○ সাঁথৰ — চাইনা বৰুৱা/৬৬
○ মহৎ লোকৰ বাণী — কৰিনা টায়দ/৬৬

# টাইটানিক ধ্বংস ঃ এক হৃদয়বিদাৰক সামুদ্ৰিক দুৰ্ঘটনা

গৌৰী বৰুৱা
ৰাজনীতি বিজ্ঞান বিভাগ

কুৰি শতিকাৰ দ্বিতীয়টো দশকৰ আৰম্ভণি ভাগত RMS অৰ্থাৎ Stand for Royal Mail Ship টাইটানিকেই আছিল পৃথিৱীৰ সবাতোকৈ ডাঙৰ বাষ্প আধাৰিত যাত্ৰীবাহী জাহাজ। ৩১ মাৰ্চ ১৯০৯ চনত নৰ্থ আয়াৰলেণ্ডৰ বেলফাষ্টত ৩০০০ মানুহৰ এটা বিশাল দ'লে এই জাহাজখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। প্ৰায় ২৬ বছৰৰ পিছত অৰ্থাৎ ১৯১১ চনৰ ৩১ মাৰ্চ তাৰিখে ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হৈছিল। ই ইমানেই বিশাল আছিল যে ইয়াৰ ওজন ৪৬,৩২৬ টন আছিল। ই ১১৫ ফুট ওখ আৰু ৮৮২ ফুট দীঘল আছিল।

১৯১২ চনৰ ১০ এপ্ৰিল ইংলেণ্ডৰ ছাউথষ্টনৰ পৰা নিউয়ৰ্ক অভিমুখে প্ৰথমটো যাত্ৰা আৰম্ভ কৰিছিল। চাৰিদিন পৰ্যন্ত সকলো ঠিকেই আছিল। কিন্তু ১৪ এপ্ৰিল ১৯১২ চনৰ ৰাতি ১১ বাজি ৪০ মিনিটত এই জাহাজখন এটা প্ৰকাণ্ড হিমপৰ্বত (Iceberg) ৰ সৈতে খুন্দা খায়। যাৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ১০ ফুট আছিল। এই হিমপৰ্বতটো চকুত পৰা নাছিল কাৰণ জাহাজ নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ কোনো এজন লোকৰ ওচৰতে দুৰবীক্ষণ যন্ত্ৰ নাছিল। যিটো বাকচত দুৰবীক্ষণ যন্ত্ৰটো আছিল সেই বাকচটোৰো চাবি হেৰাই গৈছিল। গতিকে সংঘৰ্ষৰ প্ৰায় ৩০ চেকেণ্ডমানৰ আইচবাৰ্গটো চকুত পৰিছিল। কিন্তু ইমান কম সময়ৰ ভিতৰত একো কৰিব পৰা নগৈছিল। জাহাজখনে Emergency signal পঠিয়াইছিল যদিও দুখৰ বিষয় এয়ে যে খুন্দা খোৱাৰ বাবে কংকেত পঠিওৱা সেই যন্ত্ৰটোও বেয়া হৈ গৈছিল যাৰবাবে টাইটানিক জাহাজৰ কেইকিঃমিঃ মাত্ৰ দূৰত্বতে থকা California নামৰ জাহাজখনে সংকেত নাপালে। যাৰ ফলস্বৰূপে শ শ মানুহৰ জীৱন পলকতে নিঃশেষ হৈ গৈছিল।

সংঘৰ্ষৰ পাছতে জাহাজখনত পানী সোমাবলৈ ধৰিছিল আৰু প্ৰায় ২ ঘণ্টা ৪০ মিনিটৰ পাছতে অৰ্থাৎ ২ বাজি ২০ মিনিটৰ ভিতৰত জাহাজখন সম্পূৰ্ণৰূপে পানীত ডুব গৈছিল। সেই কেইটা মিনিট সেই দুটা ঘণ্টা কিমান যে ভয়াৱহ আছিল.. কিমান যে জটিল আছিল জীৱন-মৰণৰ সেই খেলখন, কোন কোন বা জয়ী হ'ল আৰু কোন কোন পৰাজিত? মৃত্যু

সঁচাকৈয়ে মহাশক্তিমান। মৃত্যুৰ দাস আমি সকলো। অনিচ্ছাকৃতভাৱেই গৈ আছো এদিন দুদিনকৈ মই। আপুনি বা পৃথিৱীৰ প্ৰতিটো জীৱন মৃত্যুৰ কাষলৈ। জন্মৰ দ্বিতীয়টো চেকেণ্ডৰে পৰা মৃত্যুৱে আমাক হাত বাউলি দি আমাক মাতি থাকে আৰু আমিও গৈ থাকো। মৃত্যুৱে থান-বান কৰি দিব পাৰে কাৰোবাৰ এখন সুন্দৰ সংসাৰ, তুলিব পাৰে কান্দোনৰ ৰোল, কাঢ়ি নিব পাৰে দুই ওঁঠৰ মিঠা হাঁহি, পেটৰ ভাত কেইটা, ৰাতিৰ নিদ্ৰা...।

জাহাজখনত প্ৰায় ২২৪৩ গৰাকী যাত্ৰী আছিল। যাৰ ভিতৰত কেৱল ৭০৬ জন লোকহে ৰক্ষা পৰিছিল। পৃথিৱীৰ সবাতোকৈ ডাঙৰ জাহাজ হোৱা স্বত্বেও জাহাজখনত কেৱল ২০খনহে লাইফ ব'ট আছিল। যাৰে মুঠ যাত্ৰীৰ প্ৰায় $^1/_3$ অংশৰহে জীৱন ৰক্ষা কৰিব পৰা গৈছিল। উল্লেখ্য যে, টাইটানিক দুৰ্ঘটনাই পৃথিৱীৰ আটাইতকৈ ডাঙৰ সামুদ্ৰিক দুৰ্ঘটনা বৰ্তমান পৰ্যন্ত।

আটলাণ্টিক মহাসাগৰৰ যিখিনি পানীত জাহাজখন ডুব গৈছিল সেই পানীখিনিৰ তাপমান আছিল 2°c। য'ত নিকি কোনো এজন মানুহ ১৫ মিনিটতকৈ বেছি সময় জীয়াই থকাটো অসম্ভৱ আছিল। জাহাজখনৰ সৈতে সংঘৰ্ষ হোৱা আইচবাৰ্গটো গ্ৰীণলেণ্ডৰ গ্লেছিয়াৰৰ পৰা ১০,০০০ বছৰ পূৰ্বে বিছিন্ন হোৱা বুলি অনুমানিত। সংঘৰ্ষৰ দুসপ্তাহৰ পাছত ইও সম্পূৰ্ণৰূপে নষ্ট হৈ যায়। উল্লেখ্য যে জাহাজখন যি ঠাইত ডুব গৈছিল সেই ঠাইৰ পৰা ৬৪০ কিঃমিঃ দূৰত্বতহে মাটি আছিল।

টাইটানিক জাহাজৰ অৱশিষ্টবোৰ ৭৩ বছৰৰ পাছত ১ ছেপ্তেম্বৰ ১৯৮৫ চনতহে উদ্ধাৰ হয়। আচৰিত যে সমুদ্ৰৰ তলিত জাহাজখন দুটা টুকুৰাৰ অৱস্থাত উদ্ধাৰ হৈছে। যি দুটা এটা আনটোৰ পৰা ৬০০ মিটাৰ দূৰত্বত আছিল। টাইটানিক জাহাজখন দুটা প্ৰায় সমান টুকুৰাত কিয় ভাগ হৈ গৈছিল ইয়াক লৈ বিশেষজ্ঞ সকলৰ মাজত কিছু মতবিৰোধ আছে।

টাইটানিক জাহাজখনৰ দ্ৰুতি প্ৰতি ঘণ্টাত ৪৩ কিঃমিঃ আছিল আৰু ই সেই সময়ৰ আটাইতকৈ বেগী জাহাজ আছিল। White Star Line কোম্পানীয়ে নিৰ্মাণ কৰা এই জাহাজখন খুবেই ধুনীয়া আছিল। ইয়াত আমোদ-প্ৰমোদৰ বাবেও বহুত সুবিধা আছিল। উল্লেখ্য যে জাহাজখনৰ সংগীতজ্ঞসকলে সংগীত পৰিবেশন কৰি সকলোকে জীৱনৰ শেষৰ সময়খিনিতো অলপ আনন্দ, অলপ শান্তি দিবলৈ চেষ্টা কৰিছিল।

এই ঘটনাটোকে কেন্দ্ৰ কৰি বহুতো চলচিত্ৰ নিৰ্মাণ কৰা হৈছিল। তাৰে ভিতৰত ১৯৯৮ চনত মুক্তি পোৱা 'টাইটানিক' নামৰ ইংৰাজী চলচিত্ৰখনে দৰ্শকৰ অন্তৰ চুই যাবলৈ সক্ষম হৈছিল। সেইদৰে আমাৰ অসমীয়া নাট্য জগততো এই ঘটনাকে কেন্দ্ৰ কৰি এখন নাটক নিৰ্মাণ কৰা হৈছিল। ইও দৰ্শকৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছিল।

ঘটনাটোৱে ১০৭ বছৰ অতিক্ৰম কৰিছে। ২০১৮ চন পৰ্যন্ত টাইটানিক জাহাজ ধ্বংসৰ প্ৰকৃত কাৰণ বুলি যদিও আইচবাৰ্গটোৰ সৈতে খোৱা খুন্দাকেই অভিহিত কৰা হৈছিল, ইয়াৰ প্ৰকৃত কাৰণ পিছে এয়া নহয়। জাহাজখন ইমানেই মজবুতকৈ নিৰ্মাণ কৰা হৈছিল যে ইয়াৰ ধ্বংসৰ মূল কাৰণ ই কেতিয়াও হ'ব নোৱাৰে। ব্ৰিটিছ জাৰ্নেলিষ্ট 'ছলৌন মেলনী'য়ে ইয়াৰ ওপৰত ৩০ বছৰ ধৰি গৱেষণা কৰি ১০৬ বছৰৰ পাছত ইয়াৰ প্ৰকৃত কাৰণ আৱিষ্কাৰ কৰে যে জাহাজখনৰ

ভিতৰত আগৰে পৰা অলপ অলপকৈ জুই লাগি আছিল। যি ঠাইত জাহাজখনত সেই বৰফৰ টুকুৰাটো খুন্দা খাইছিল সেই ঠাই জুইৰ কাৰণে আগৰে পৰা দুৰ্বল হৈ আছিল। সেই কথা কোম্পানীৰ মানুহৰ দ্বাৰা আগৰে পৰা জ্ঞাত আছিল। কিন্তু ইতিমধ্যে জাহাজৰ দামী দামী টিকটবোৰ বিক্ৰী হৈ গৈছিল। এই যাত্ৰা বাতিল কৰাহেঁতেন কোম্পানীয়ে বহুত লোকচান ভৰিব লগা হ'লহেঁতেন আৰু এই কম জুইয়ে বিশেষ একো অসুবিধা নকৰে বুলি জাহাজখনে আৰম্ভ কৰিছিল প্ৰথমটো যাত্ৰা। কিন্তু... সেইয়াই যে শেষ যাত্ৰা হ'ল। মেট্ৰ'লজী বিশেষজ্ঞসকলৰ মতেও উচ্চ তাপমানৰ বাবে ধাতু ৭৫ শতাংশলৈকে দুৰ্বল হৈ পৰিব পাৰে। সেয়েহে বৰফৰ টুকুৰাটোত খুন্দা খোৱাৰ বাবেই ইমান ডাঙৰ মজবুত জাহাজখন দুটুকুৰাকৈ ভাগি গৈছিল। গতিকে সকলো কথাকে আমি সহজভাৱে ল'ব নালাগে। ভৱিষ্যতৰ কথা চিন্তা কৰিহে যিকোনো সিদ্ধান্ত ল'ব লাগে। কিয়নো বিপদ অহাৰ আগজাননী দিন কোনেওতো দিব নোৱাৰে।

সেইদিনা যদি White Star Line কোম্পানীৰ মানুহে এই কথা বুজি পালে হেঁতেন তেনেহ'লে শ শ মানুহৰ জীৱন ৰক্ষা পৰিলহেঁতেন। পিছদিনা হয়তো বেলিৰ পোহৰত সাগৰৰ পানীখিনি অলপ বেছিকৈয়ে জিলিকি উঠিলহেঁতেন... ??❖

# ৰাসলীলাৰ ঐতিহ্য আৰু মাজুলী

হিমাদ্ৰী চেতিয়া
চতুৰ্থ যান্মাসিক

শৰতকালৰ জ্যোস্না প্লাৱিত ৰাতিত পৰমভক্তা গোপীসকলক প্ৰেমৰসত আপ্লুত কৰি মনোবাঞ্ছা পূৰণ কৰিবৰ উদ্দেশ্যে পৰম ব্ৰহ্মাৰূপী ভগৱান শ্ৰীকৃষ্ণই যি লীলাৰে বৃন্দাবন উৎফুল্লিত কৰি তুলিছিল সেই প্ৰেমলীলাই আপাত দৃষ্টিত ৰাসলীলা। অৰ্থাৎ জীৱাত্মা-পৰমাত্মাৰ মিলনেই হ'ল ৰাসলীলা। সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা এটি মুখ্য উৎসৱ। শাৰদীয় পূৰ্ণিমাৰ তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা ৰাসলীলা উৎসৱলৈ দেশী-বিদেশী বিভিন্ন পৰ্যটকৰ সমাগম হয়। প্ৰধানতঃ বৈদিক ক্ৰিয়া তথা নাট্যধৰ্মী ব্যৱস্থা-এই দুই উপাদানৰ সমাহাৰেৰে এই উৎসৱটি মহিমামণ্ডিত হৈ পৰিছে। ৰাসলীলাৰ বতৰত মাজুলী বৈকুণ্ঠৰূপ হৈ পৰে।

দুষ্টক দমন আৰু সন্তক পালনৰ বাবে ভগৱানে বিভিন্ন সময়ত অৱতাৰ গ্ৰহণ কৰে। সেই অনুক্ৰমে অংশাৱতাৰ, অংশাংশৱতাৰ, আৱেশাৱতাৰ, কলাৱতাৰ, পূৰ্ণৱতাৰ, পৰিপূৰ্ণত্বম কৃষ্ণ বিৰাজমান হৈ থাকে। পৃথিৱীৰ ধৰ্মাচাৰ লুপ্ত হৈ পাপাচাৰ বৃদ্ধিৰ সময়ৰ সূচনা হোৱা দেখি ভূমিভাৰ হৰণৰ নিমিত্তে কৃষ্ণই মৰ্ত্যলৈ অহাৰ চিন্তা কৰাৰ সময়ত ৰাধিকা প্ৰমুখ্যে গোপীসকলেও আহিবলৈ প্ৰাৰ্থনা জনায়। ভগৱান কৃষ্ণই তেওঁলোকক মৰ্ত্যলৈ অহাৰ অনুমতি দিলে আৰু লগে লগে পূৰ্ণময় পূৰ্ণকৃষ্ণৰ লীলা গোলোকৰ দৰেই পৃথিৱীতো প্ৰচলন হ'ল।

মাজুলী সত্ৰানুষ্ঠান সমূহত বৈদিক পৰম্পৰা আৰু নাট্যধৰ্মী এই দুই ব্যৱস্থাৰে ৰাসলীলা উদযাপন কৰা হয়। সত্ৰসমূহৰ ভিতৰত ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰত বৈদিক পৰম্পৰা আৰু অভিনয়ৰ দিশত প্ৰাচীনতা দাবী কৰিব পাৰে। এই সত্ৰৰ প্ৰয়াত শ্ৰীশ্ৰী বাসুদেৱ গোস্বামীয়ে সপোনত ভগৱন্তৰ আজ্ঞা পাই গীত আৰু নৃত্য সম্বলিত ৰাসলীলাৰ নাটক ৰচনা কৰে বুলি জনা যায়। পাছত ভক্তিৰসপূৰ্ণ নাটকৰ অভিনয় কৰি সৰ্বত্ৰ জনাজাত কৰি তোলে।

মাজুলীৰ ৰাস মহোৎসৱক মঞ্চমুখী ব্যৱস্থাৰে যুগ উপযোগী কৰি তোলে গড়মূৰীয় সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীয়ে। শ্ৰীশ্ৰী আউনীআটীয় সত্ৰৰ ৰাস উৎসৱৰ মূল কৰ্তব্য হ'ল ৰাসপূজা। নামঘৰৰ আগভাগত বিশেষ কৌশলেৰে সজোৱা

আঠকোণীয়া মণ্ডপত থকা চাৰিকোণীয়া বেদীত ৰাসলীলাৰ দিনা সন্ধ্যা মাঙ্গলিক পৰিৱেশেৰে স্থাপন কৰা যুগল মূৰ্তিক পূজা কৰা হয়। সেইদিনা দিনযোৰা কাৰ্যসূচীৰে নামপ্ৰসংগ, দিহানাম, থিয়নাম, গায়ন-বায়ন, নটুৱা, ওজাপালিৰ উপৰিও ৰাতিৰ ভাগত পূজাৰ সমান্তৰালভাৱে ৰাসলীলা নাটৰ অভিনয় নামঘৰত প্ৰদৰ্শিত কৰা হয়।

আউনীআটীয় সত্ৰৰ ৰাসলীলা প্ৰথম দিনৰ কাৰ্যসূচীৰ উপৰিও পৰৱৰ্তী দুদিনতো ৰাসলীলা প্ৰদৰ্শিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচী সমূহ মূল নামঘৰত হোৱাৰ বাবে মহিলাসকলে অংশগ্ৰহণৰ পৰা বঞ্চিত হয়। বহুতো ৰাইজে এই ৰাসলীলা দৰ্শনৰ পৰা বঞ্চিত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আউনীআটী সাংস্কৃতিক সেৱা সমিতিৰ সহযোগত মঞ্চৰাসৰ সূচনা কৰে প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীশ্ৰী বিষ্ণুচন্দ্ৰ দেৱগোস্বামীয়ে। মূল নামঘৰত হোৱা ৰাসৰ উপৰিও গোলোক ধামৰ দৃশ্য এই দিশৰ অন্যতম সংযোজন।

শ্ৰীশ্ৰী চামগুৰি সত্ৰৰ ৰাসলীলা মহোৎসৱ দুদিনীয়াকৈ অনুষ্ঠিত হয়। আৱাহন কীৰ্ত্তন, থিয়নাম, নাম-প্ৰসংগ, বৰগীত, কেলিগোপাল নাটৰ গীত, ওজাপালি আদি পৰিৱেশনেৰে এই দুদিন উৎসৱ মুখৰ হৈ পৰে। অপূৰ্ব মুখাৰ সমাহাৰ এই সত্ৰ ৰাসৰ অন্যতম বৈশিষ্ট্য।

শ্ৰীশ্ৰী বেঙেনাআটী সত্ৰৰ ৰাসলীলা নামঘৰৰ ভিতৰতে আকৰ্ষণীয়ভাৱে কৰা হয়। সহ অভিনয়বিহীন আৰু দৰ্শনীবিহীন এই ৰাসলীলাত অজস্ৰ লোকৰ সমাগম হয়।

মাজুলীৰ ৰাসলীলাৰ এমাহৰ পূৰ্বে দৰ্শনী টিকট শেষ হোৱা গড়মূৰ সত্ৰৰ ৰাস উল্লেখযোগ্য। অপূৰ্ব পৰিৱেশন পদ্ধতিয়ে এনে সুকীয়া মাত্ৰা প্ৰদান কৰিছে। ১৯৬০ চনৰ পৰা সৰু সত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘই ৰাস পৰিৱেশন কৰি আহিছে।

পূৰ্বে উল্লেখ কৰা হৈছে, মাজুলীৰ বিভিন্ন স্থানত দুইধৰণৰ ৰাসলীলা প্ৰদৰ্শন হয়। এবিধ বৈদিক পৰম্পৰা সংযুক্ত মুকলি ৰাস আৰু আনবিধ মঞ্চ ৰাস। উত্তৰ কমলাবাৰী, নতুন কমলাবাৰী আদি সত্ৰৰ মঞ্চৰাস হ'লেও সহ অভিনয়ৰ স্থান নাই। তথাপিও অপূৰ্ব সুন্দৰ। তদুপৰি মাজুলীৰ দুকুৰিৰো অধিক স্থানত অনুষ্ঠিত মঞ্চৰাস অনন্য আৰু অপূৰ্ব যাৰ বাবে ৰাইজৰ বিপুল পয়োভৰ। মুঠ কথাত সহঅভিনয় বিহীন বৈদিক পৰম্পৰা সংযুক্ত মুকলি ৰাসত যিদৰে দৰ্শকৰ ব্যাপক পয়োভৰ সেইদৰে মঞ্চৰাসৰো জনপ্ৰিয়তা সৰ্বাধিক।❖

# চন্দ্ৰপ্ৰভা শইকীয়ানী ঃ নাৰী শিক্ষাৰ বাটকটীয়া

শ্যামলীমা সন্দিকৈ
চতুৰ্থ যান্মাসিক
ভূগোল বিভাগ

অসমৰ যিসকল অসাধাৰণ নাৰীয়ে নিজৰ কৰ্ম আৰু সাধনাৰ যোগেদি নিজকে মহীয়ান কৰি দেশ আৰু স্বজাতিৰ বাবে আত্মস্বাৰ্থ ত্যাগ কৰি থৈ গৈছে, সেইসকল নাৰীৰ ভিতৰত চন্দ্ৰপ্ৰভা শইকীয়ানী আছিল অন্যতম। নাৰী প্ৰগতিৰ বাটকীয়া এইগৰাকী মহীয়সী সাহিত্যিক হিচাপেও আছিল সকলোৰে সু-পৰিচিত।

মহৎ জীৱনৰ মহৎ কৰ্মৰাজীয়ে দেশ আৰু জাতিৰ কল্যাণৰ বাবে কাম কৰি জীৱন আগবঢ়াই দিয়া এইগৰাকী নাৰীৰ জন্ম হৈছিল ১৯০১ চনত কামৰূপ জিলাৰ দৈশিঙৰা গাঁৱত। পিতৃৰ নাম আছিল ৰতিৰাম শইকীয়া আৰু মাতৃ আছিল গংগাপ্ৰিয়া শইকীয়া। সেই সময়ত তেওঁলোকৰ অঞ্চলত শিক্ষাৰ সু-ব্যৱস্থা নাছিল। চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু তেওঁৰ ভনীয়েকৰ শিক্ষাৰ প্ৰতি প্ৰবল ধাউতি আছিল। ওচৰতে থকা ভালুকী গাঁৱৰ প্ৰাইমেৰী স্কুলত পঢ়াৰ পিছত কেইবা মাইল দূৰৰ এম.ভি.স্কুল এখনত নামভৰ্তি কৰিছিল, যিখনত কেৱল ল'ৰাহে পঢ়িছিল। অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে আবৰি ৰখা সেই সময়ৰ সমাজে চন্দ্ৰপ্ৰভাক নানা ধৰণৰ কটু সমালোচনা কৰিছিল। তথাপি পঢ়িবলৈ আগ্ৰহ থকা হেতুকে সেই কথালৈ মনোযোগ নিদি মনত দুৰ্বাৰ আগ্ৰহ আৰু সাহস লৈ স্কুললৈ গৈছিল। তেতিয়াৰ পৰা তেওঁৰ মনত মহিলাৰ প্ৰতি থকা চৰম অৱহেলাৰ বাবে সেই সময়ৰ সমাজ ব্যৱস্থাৰ প্ৰতি চৰম বিৰোধী মনোভাৱ গঢ়ি উঠাইছিল। শিক্ষাৰ প্ৰতি থকা ধাউতি বাবেই তেওঁ নগাঁও মিছন স্কুলত পঢ়িবলৈ সুবিধা পাইছিল। কিন্তু এই স্কুলত শিক্ষক শিক্ষয়িত্ৰীসকলৰ অ-খ্ৰীষ্টিয়ান ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি যি বৈষম্যমূলক দৃষ্টিভংগী তাক দেখি তেওঁ দুখী আৰু হোষ্টেলৰ ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহী হৈ পৰিছিল। তেওঁ নীৰৱে থাকিব পৰা নাছিল। কৰ্তৃপক্ষৰ ওচৰত প্ৰকাশ্যে বিদ্ৰোহ ঘোষণা কৰিছিল। পৰিণতি স্বৰূপে শাস্তিৰ সন্মুখীন হৈ তেওঁ শিক্ষা জীৱন তাতেই সামৰিবলগীয়া হৈছিল।

শিক্ষানুৰাগী চন্দ্ৰপ্ৰভাই অন্ধকাৰময় সমাজখনত পোহৰ বিলাবলৈ সপোন দেখিছিল। অকয়া নামৰ ঠাই এখনত স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ বাবে এখন বালিকা বিদ্যালয় খুলি শিক্ষাদানত ব্ৰতী হৈ পৰিছিল। পৰৱৰ্তী সময়ত ১৯১৮ চনত তেজপুৰ মজলীয়া বিদ্যালয়ত প্ৰধান শিক্ষয়িত্ৰীৰূপে সেৱা আগবঢ়াইছিল।

তেজপুৰত থাকোঁতেই চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে অসমৰ কেইবাজনো স্বাধীনতা সংগ্ৰামী নেতাক লগ পাই আৰু পৰৱৰ্তী সময়ত স্কুলৰ চাকৰি ত্যাগ কৰি স্বাধীনতা আন্দোলনত গভীৰভাৱে আত্মনিয়োগ কৰে। সাহিত্য সভা, ছাত্ৰ সন্মিলন আৰু অসম এছ'চিয়েছনৰ তেওঁ এগৰাকী সক্ৰিয় কৰ্মী আছিল। অসমীয়া সমাজখনৰ পৰা জাতিভেদ দূৰ কৰা, মাদক দ্ৰব্য নিবাৰণ কৰা, বাল্যবিবাহ বন্ধ কৰা আদি কাৰ্যসূচী গ্ৰহণ কৰি গাঁৱে-গাঁৱে উদাত্ত কণ্ঠে ভাষণ দি প্ৰচাৰ কৰিছিল। গণ আন্দোলনত অংশগ্ৰহণ কৰি তেওঁ কাৰাবাসো খাটিছিল।

সাহিত্যিক দণ্ডিনাথ কলিতাৰ সৈতে বিবাহিত জীৱন তেওঁৰ সুখৰ নাছিল। বৰ্ণ-বৈষম্যৰ প্ৰভাৱে তেওঁৰ জীৱনলৈ দুখ কঢ়িয়াই আনিছিল। তদুপৰি এইগৰাকী দৃঢ়মনা নাৰীয়ে বৈবাহিক জীৱনত পোৱা ঘাত-প্ৰতিঘাত হেলাৰঙে অতিক্ৰম কৰি সমাজত নিজকে প্ৰতিষ্ঠা কৰি যাবলৈ সক্ষম হ'ল।

কেৱল সমাজ সেৱাতে সীমাবদ্ধ নাথাকি এইগৰাকী মহিলাই সাহিত্য জগতলৈও অৱদান আগবঢ়াই থৈ গৈছে। বিভিন্ন কাকত-আলোচনীত তেখেতে নীৰৱে সাহিত্য চৰ্চা কৰি গৈছিল। উপন্যাস, গল্প, কবিতা, প্ৰবন্ধ, সাহিত্য আদি ৰচনা কৰি গৈছিল আৰু সমাজৰ পৰিৱৰ্তনত আৰু নাৰীৰ মৰ্যদা অক্ষুণ্ণ ৰখাৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। সামাজিক দিশৰ উপৰিও ৰাজনৈতিক দিশতো মহিলাসকল আগবাঢ়ি যোৱাতো তেওঁ বিচাৰিছিল।

১৯৭২ চনত তেওঁৰ মৃত্যুৰ কিছুদিনৰ পিছত তেওঁক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হয়। তেওঁৰ কৰ্মস্পৃহা, অফুৰন্ত মানসিক শক্তি, সমগ্ৰ নাৰী জাতিৰ বাবে প্ৰেৰণা হৈ ৰ'ব।❖

# আউনীআটী সত্ৰ আৰু ইয়াৰ ভিতৰ চৰাৰ কিছু বৰ্ণনা

প্ৰেৰণা ফুকন
চতুৰ্থ যান্মাসিক

অসমৰ ব্ৰহ্মাপুত্ৰ নদীৰ মাজত থকা এটা বৃহৎ নদীদ্বীপ মাজুলীতেই আউনীআটী সত্ৰখন অৱস্থিত। আউনীআটী সত্ৰ অসমৰ প্ৰথম শ্ৰেণীৰ ৰাজসত্ৰ। আহোম ৰজা জয়ধ্বজ সিংহই মাজুলীত ১৫৭৫ শকত (ইং ১৬৫৩) এইখন সত্ৰ নিৰ্মাণ কৰায়। সত্ৰখনৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল শ্ৰীশ্ৰী নিৰঞ্জন দেৱ। বৰ্তমানলৈকে মুঠ ১৫জন ব্যক্তিয়ে সত্ৰাধিকাৰ পদত অধিষ্ঠিত হৈছে।

সত্ৰৰ মণিকূটৰ ভগৱান শ্ৰীকৃষ্ণৰ 'গোবিন্দ' নামৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছে। ইয়াক প্ৰথমে পুৰী, উৰিষ্যাৰ জগন্নাথ ক্ষেত্ৰৰ পৰা আনি বৈদিক প্ৰথাৰে স্থাপন কৰা হৈছিল। মূল মূৰ্তিৰ বাহিৰেও ইয়াত আন আন মূৰ্তিও আছে। সত্ৰত নিয়মীয়াকৈ 'ভাগৱত শ্ৰৱণ কীৰ্ত্তন' আৰু 'নাম প্ৰসংগ' কৰা হয়। সত্ৰৰ মূল নাম-কীৰ্ত্তনভাগ ৩৫০ বছৰ ধৰি পুৰাব পৰা গধুলিলৈকে অনুষ্ঠিত হৈ আহিছে। সত্ৰখনৰ গঠন ঘূৰণীয়া আকৃতিৰ। সত্ৰখনিত নামঘৰ, মণিকূট, গুৰুগৃহ, ভকতৰ চাৰিহাটী, ধন ভঁৰাল, চাউল ভঁৰাল, কৰাপাটৰ উপৰিও নিজ বৈশিষ্ট্য সম্পন্ন কেইবাটাও অংগ আছে। সেই সমূহৰ ভিতৰৰ ৰাঙলী চ'ৰা, পুথিভঁৰাল, যাদুঘৰ, আলহীঘৰ, সংস্কৃত টোল, ছপাশাল, মুকলি ৰংগমঞ্চই প্ৰধান।❖

সহায়ক ঃ ইণ্টাৰনেট আৰু অসমৰ ইতিহাসৰ কিছু কিতাপ।

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

প্ৰীতিৰেখা ঘাটোৱাৰ
দ্বিতীয় যান্মাসিক
সমাজতত্ব বিভাগ

পৃথিৱীত বাস কৰা প্ৰতিজন ব্যক্তিৰ বাবে শিক্ষা অতি দৰকাৰী। এখন দেশ বা সমাজ আগুৱাই যোৱাত শিক্ষাৰ ভূমিকা যথেষ্ট। শিক্ষাই মানুহৰ মনৰ অজ্ঞতা দূৰ কৰি বৌদ্ধিক দিশ মুকলি কৰে। সেয়েহে প্ৰতিজন মানুহৰ শিক্ষা গ্ৰহণ প্ৰয়েজনীয়তা আছে। নাৰী শিক্ষা সন্দৰ্ভত পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছে— 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' সেয়ে পুৰুষৰ সমানে নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

বৰ্তমান সময়ত নাৰী শিক্ষা প্ৰয়োজনীয়তা অনেক। শিক্ষাৰ দ্বাৰা মানুহৰ শাৰীৰিক আৰু মানসিক বিকাশ হয়। সেয়ে মানৱ জাতি হিচাপে নাৰীৰো শিক্ষাৰ প্ৰয়োজনীয়তা আছে। এগৰাকী শিক্ষিত নাৰীয়ে সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি নাইকিয়া কৰাত সহায় কৰিব পাৰে। মানুহ হিচাপে মানুহৰ ইতিবাচক গুণৰ লগতে নেতিবাচক গুণ যেনে— হিংসা, লোভ, স্বাৰ্থপৰতা আদি গুণ থকাটো স্বাভাৱিক। এগৰাকী সন্তানক সু-শিক্ষাৰে শিক্ষিত কৰিবলৈ পুৰুষৰ সমানে নাৰীৰো শিক্ষা থকা উচিত। সেয়েহে এগৰাকী মাতৃ হিচাপে নাৰী শিক্ষাৰ প্ৰয়োজনীয়া দেখা যায়। বৰ্তমান যুগটো বিজ্ঞানৰ যুগ বুলি চিহ্নিত কৰা হয়। গতিকে আজিৰ যুগটোত খোজে খোজ মিলাই যাবলৈ হ'লে এগৰাকী নাৰী শিক্ষিত হোৱা প্ৰয়োজন। নিজ অধিকাৰ, দায়িত্ব, কৰ্তব্য, সম্পৰ্কে জ্ঞান থকাৰ প্ৰয়োজন, সকলো ফালৰ পৰা চাবলৈ গ'লে নাৰী শিক্ষা প্ৰয়োজনীয়তা আছে।❖

# বৰ্তমান সমাজ আৰু সংস্কৃতি

মৌচুমী বৰুৱা
দ্বিতীয় যাণ্মাসিক
অসমীয়া বিভাগ

পৃথিৱীৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজা সমাজ ব্যৱস্থা আৰু নিজা সংস্কৃতি আছে। সংস্কৃতি হৈছে এটা জাতিৰ পৰিচয়। বৃহত্তৰ অসমীয়া জাতিৰো নিজা সমাজ ব্যৱস্থা, সংস্কৃতি আছে। কিন্তু বৰ্তমানৰ প্ৰেক্ষাপটত অনুধাৱন হয় যে অসমীয়া জাতিয়ে নিজা সংস্কৃতি আৰু আত্মপৰিচয় হেৰুৱাইছে। বহিৰাগত বেপৰুৱা সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ পৰিছে। শাওণ মাহ শিৱ পূজাৰ বাবে পৱিত্ৰ মাহ হিচাপে গণ্য কৰা হয়। এই মাহতে মহাদেৱক ভক্তি-অঞ্জলিৰে পূজা কৰে। এই পূজা অতীজৰে পৰা চলি আহিছে। কিন্তু বৰ্তমান সময়ত কিছুমান অসমীয়াই নিজকে মহাদেৱৰ একান্ত ভক্ত সজাবলৈ গৈ ডাঙৰ শব্দৰে চাউণ্ড চিষ্টেম ব্যৱহাৰ কৰি ভাং সেৱন কৰি মতলীয়া হৈ 'বলব'ম' ধ্বনিৰে চিঞৰিবলৈ আৰম্ভ কৰিছে। এয়া জাতিটোৰ বাবে অশুভ লক্ষণ। অসমীয়া জাতিৰ বাপতি সাহোন বিহুটোও ইয়াৰ ব্যতিক্ৰম নহয়। বাৰীৰ ঢাপৰ জেতুকাৰ সলনি কৃত্ৰিমভাৱে প্ৰস্তুত কৰা জেতুকা, মেহেন্দি ব্যৱহাৰ কৰাৰ উপৰিও 'জি.আই.টেগ' সম্বলিত আমাৰ তাঁতশালৰ ফুলাম গামোচাখনৰ সলনি বৃহৎ আকাৰৰ ফুলেৰে পৰিপূৰ্ণ বহিঃৰাজ্যৰ যান্ত্ৰিক মেচিনত প্ৰস্তুত কৰা গামোচাই আমাৰ ডিঙিত শোভা কৰে। গুৰুজনাই আমাক দি থৈ যোৱা নামঘৰটোৰ চাৰিবেৰৰ ভিতৰত মদ-মাংস আৰু জুৱাৰ প্ৰচলনৰ দৰে অপকৰ্ম কৰিবলৈ আৰম্ভ কৰিছে। তদুপৰি ভাওনা বৰ্তমান প্ৰতিযোগিতামুখী হ'বলৈ গৈ বেপাৰ হ'ব ধৰিছে। ভাওনা প্ৰতিযোগিতাৰ নানা কথা-বতৰা বৰ্তমান সময়ত সংবাদ মাধ্যম আৰু ছচিয়েল মিডিয়াযোগে প্ৰচাৰিত হোৱা পৰিলক্ষিত হয়। মই আন কোনোজনৰ দৰে বেছি জ্ঞানী নহয় যদিও মোৰ ক্ষুদ্ৰ মগজুৰে কওঁ— অসমীয়া জাতিয়ে বৰ্তমানত নিজৰ ইতিহাস ভালদৰে অধ্যয়ন কৰি সংস্কৃতিক বেছি আধুনিকীকৰণ নকৰাটোৱেই শ্ৰেষ্ঠ।❖

# Mobile Addiction is Real

**Astha Chutia**
4th Semester

In the era of technology we are getting influenced by smartphones, television, smart cares and smart boards. Technologics make our lives easier but in the growing digital world mobile addiction has become a serious issues which is negatively impacting on youth and children. With current technological advances. Mobile phones have become a privilege and a necessity. But excessive or compulsive in daily life. Many people spend excessive amount of time on their cellphones which causes disruptions in social, professional and personal activities. It can menifest in several ways, such as constantly cheecking social media, playing mobile games for hours to disconnect from notifications. It is unfortunate to see our youth and children becoming addiction is leading to physical issues like eye strain, sleep disturbance, poor posture as well as emotional effects such as anxiety, stress, anger issues, reduced attention span. Our lives have become more distracted than before. There are various causes of phone addiction. Such as instant gratification. Phones offer immediate rewards like messages, notifications, likes, creationg a cycle of constant checking social media platforms such as instagram, facebook keeps users engaged through followers, likes, comments and social validation. These platforms offer endless entertrainment options including games videos, various apps, music which can be difficult to put down. However people can get rid off this phone addiction using certain limitation. It is high time to get back to our normal routine instead of mindlessly scrollig and wasting our precious time on social media we can certainly use it for our wellbeing but excessive use of it may load to serious issues impacting negatively on our lives. The more addicted we become to phone, the more prone we are to depression and anxiety.

- "I fear the day that technology will surpass our human interaction. The world will have a generation of idiots.
: Albert Einstein❖

# Importance of Education

**Nandita Tanti**
2nd Semester

Education is the most important in our life. It improves our knowledge, skills and develops the over all personality and attitude. It brings a great change in our life. It makes our life prosperous and meaningful. It is the foundation of human development. It prepares us to face the world. It is said that education is the third eye of human beings.

Education teaches us to be polite. When you are educated you know, when to speak and when to remaon silence. Education is the most powerful weapon to change the world. Education is that property that can not be stolen. We can take this property where ever we go. It is a ray of light in the darkness. It certainly is a hope for a good life.

Education is the thing that have no disadvantages while getting education your loose nothing. It is the single door the prosperity and is the key to success.

Education bring happiness in our life. An education happiness in our life. An educated person always respected everything. People treat well him in the society.❖

# My Hope, Her Pen

**Kasturi Gogoi**
2nd Semester
Zoology Dept.

It rained yesterday. I am late for my exam. The road to school was all muddy and it was troublesome to get there. Everyone seemed to be already present.

After the attendance, the question sheets were distributed. The bell rang. I held my pen tightly and glided the ballpoint on the rough paper, but it left no ink. It was over...

'Hey'

A voice came from behind. I looked back to see a girl extending a pen towards me. I realised that a pen can be one's hope.

She sublitted her paper and left. I was late to submit, and I couldn't return her the pen. I smiled.

I am late again.❖

# অভিনয়

ৰিংকুমণি হাতীমূৰীয়া
চতুৰ্থ যান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

মুখত মধুৰ সনা ভিতৰে কপট মনা
আৰু যত চিন্তা হিংসাৰ;
সাধুতাৰ ভাও ধৰি কুকামত বশৱৰ্তী
এই ধৰ্ম নিৰ্যাতে অসাৰ।
স্ব-জ্ঞানৰ চলেৰে মহৎ লোকৰ বাণীৰে
কথাকোৱা চালকি মাথোন।
অন্যক বঢ়াই বৈ গপত গংগাটোৰ হৈ
পিছে পৰে মূৰত টাঙোন।।
সন্মান শিষ্টাচাৰ একো জানিও নকৰে
কাকো
ভাল-বেয়াৰ নাই সুবিচাৰ।
নিজে কোৱা যুক্তিটো সাৰ বুলি ধৰিয়েই
ভুল ভাৰ নকৰে প্ৰত্যাহাৰ।।
লোকৰ কুৎসা কৰি বিশ্বাস সততে ভাঙি
ফুৰে যত নৰ পাতকী।
আকাশত চাং পাতি নিজৰো নেসাধে
গতি
অধম ইটো নৰ কথকী।।
বাহিৰে সংযমী দেখা ভিতৰে চঞ্চলতা
প্ৰতি খোজতে স্বাৰ্থপৰতা।
অভিনয় ধৰা পৰি মাতি আনে লটি-ঘটি
জীৱনৰ এনে অসাৰতা।❖

# সৰ্বস্ব তুমি নাৰী

অংকিতা গগৈ
ষষ্ঠ যান্মাসিক

সৃষ্টিৰ পাতনিত
পাতে পাতে লিখা আছে
তোমাৰ নাম নাৰী।.
নাৰী তুমি সৃষ্টিৰ অধিকাৰী
তুমি মাতৃৰ অধিকাৰী
তুমি ভগ্নীৰ অধিকাৰী
তুমি স্ত্ৰীৰ অধিকাৰী।
পৃথিৱীৰ চৌদিশে বীজ সিঁচি
তুমি সৃষ্টি কৰিলা বহু নৰ-নাৰী।
তোমাৰ কোমল বুকুত
প্ৰাণ পাই ধূলিৰ মাটিৰে
জীৱন গঢ়িলে বহুজনে।
ইয়াৰ হিচাব কোনে ৰাখিলে?
নাৰী তুমি বৰ সাহসী
তোমাৰ বহল বুকুখনিত
সদায়ে উপচি থাকিব
মানৱৰ জয়ৰ ধ্বনি।❖

# স্মৃতিৰ টোপোলা

পলক পাল
ষষ্ঠ ষান্মাসিক

আমাৰ ৰং-পুৰ
যিয়ে বান্ধি দিয়ে
হাজাৰ হাজাৰ ছাত্ৰীক
এক গধূৰ স্মৃতিৰ টোপোলা।।
ভিন্নতাৰ মাজত একতাই
নিখুঁত মনে বাঁহ সাজে
একেখন চালৰ তলিত।।
কোঠালি বেলেগ বেলেগ
হ'ব পাৰে কিন্তু
কম বয়সতে আপোন হৈ পৰে
এজনে আনজনৰ প্ৰতি।।
হয়তো জীৱনৰ এই
সোঁৱৰণীৰ পৃষ্ঠাৰ
মিঠা-তিতা আমেজ সকলোৰে নাপায়
ইয়াত বন্ধুত্বই পোখা মেলে
বহু অচিনাকি মুখ চিনাকি হয়
একেলগে।।
ইয়াৰ পৰাই আৰম্ভ হয়
চাহৰ আড্ডা, মেগী পাৰ্টি
জন্মদিনৰ মিঠা ছাৰপ্ৰাইজ দিয়া
বহু ৰাতিলৈ কথাৰ মেল
গা ধুবৰ বাবে দীঘল
দেওবৰীয়া বিশেষ ব্ৰেকফাষ্ট।।
এইবোৰ এতিয়াৰ অগ্ৰজৰ
বাবে অতীতলৈ লাহে লাহে
পৰিৱৰ্তন হ'ব গৈছে।
আকৌ ঘূৰাই বিচাৰো
এই দিনবোৰ।।
পৰিয়ালৰ পৰা আঁতৰত
আৰু এখন ঘৰ নিজৰ
কৰি ল'বলৈ সকলোৰে
নিজৰ নিজৰ কতৃজ্ঞতা
আগবঢ়াইছে।।
মেট্ৰন মেমকে আদি কৰি
সকলো বয়োজ্যেষ্ঠই
নিজৰ ছোৱালীৰ দৰে
আৱাসীসকলক আদৰি লৈছে।।
ৰংপুৰৰ প্ৰতিজনেই মোৰ
ভাগত বিশেষ স্মৃতি গাঁঠি দিছে।
সঁচাকৈ আকৌ এবাৰ বিচাৰো
এই শ্ৰেষ্ঠ দিনবোৰ।।
জীৱনত ৰংপুৰক এক
পৃষ্ঠা হিচাপে অনুভৱ
কৰি মই
চিৰসুখী।।❖

# ফাগুন হৈ আহিবা

জাফৰিন চুলতানা ৰহমান
চতুৰ্থ যান্মাসিক

ৰঙা ফাগুনৰ দৰে
ৰং সিঁচি ভাল লাগে,
কেতিয়াবা নিজকে
ৰঙীন কৰি ভাল লাগে,
জীৱনৰ প্ৰতিশ্ৰুতিবোৰ
পুনৰ জী উঠে
ঠিক ৰঙা ফাগুনৰ দৰে,
তুমিও আহিলে এদিন
ফাগুন হৈয়ে আহিবা
বাট চাম তোমালৈ
প্ৰতাৰিত এই হৃদয়ক
ফাগুনৰ ৰং সানিবা
হয়তো তেতিয়াই মোৰ
এই ৰিক্ত হৃদয়খনে
আকৌ হাঁহিব
আকৌ প্ৰাণ পাব এজাক
সপোন।❖

# হোষ্টেল

পল্লৱী গগৈ
দ্বিতীয় যান্মাসিক

হোষ্টেল, এক নিচেই সাধাৰণ শব্দ নহয়নে?
কিন্তু ইয়াতেই অন্তৰ্নিহিত হৈ থাকে অযুত আৱেগ,
অনুভূতি

আমাৰ বাবেও আৱেগ হ'ল — RCN
অচিনাকিৰ পৰা চিনাকি হোৱালৈ।

সুখ, দুখ, মৰম, শ্ৰদ্ধাৰে
উপচি থাকে এই হোষ্টেল।

ইয়াত হাজাৰজনীৰ সপোনে পোখা মেলে
পুৱাৰ পৰা ৰাতি শুৱালৈ বেলৰ শব্দই

কৈ যায় প্ৰত্যেকৰ দায়িত্ব
জ্যেষ্ঠসকলে দিয়া নিজ ভণ্টি আৰু ছোৱালীৰ,

মৰমৰ বাবে গঢ়ি উঠে এক সুন্দৰ পৰিয়াল,
সেয়ে দ্বিতীয়খন ঘৰ হৈছে আমাৰ RCN❖

# আধুনিক জীৱনৰ অন্তঃসাৰশূন্যতা বিষয়ক

ভিতালী দুৱৰা
স্নাতকোত্তৰ চতুৰ্থ যান্মাসিক

মই ক'ত?
ভাবি থাকোঁ
ধূলিৰ বতাহে লাহ দিয়া
আজন্ম আহত
ভৰি দুখন লৈ
কলৈ গৈ আছোঁ
কলৈ?
অচিন চৰায়ে
আগভেটা দিয়া এই বাট
সৰিয়হতলীৰ সুহুৰি এটা
বাজি থাকে তাত
মই ক'ত?
ভাবি থাকোঁ
নিজান টোকোৰা চৰায়ে
বাহ সজা দেখো
দূৰৈৰ পাহাৰত শোকধ্বনি...
কি নাছিল তাত
চকুত নুমাই যোৱা বেলি
হালধি পাতৰ পোহৰ
শালিকীয়ে গা ধোৱা
ভৰ দুপৰীয়া এটাৰে
মই গৈ থাকোঁ
এটাই মোৰ জন্মৰ বাট
আনকি মৃত্যুৰো
মই ক'ত?
আইৰ শীতল স্পৰ্শ
মোৰ তেজলৈ, হাড়লৈ
মাটি মানুহৰ স্নায়ুলৈ...
নুফুটা এটা হিলৈৰ মুখত
মই বৈ থাকোঁ
দেখো
চিতাৰ জুয়ে
ক'লা কৰা মুখ
হুৱা ওৰাও কান্দোন
আৰু শুনো
ক'ৰবাত খুন্দা নাই
উভতি অহা মৃত চিৎকাৰ!❖

## অনুভৱ

বৰ্ষা ৰাণী বৰা
ষষ্ঠ যাণ্মাসিক

অনুভৱৰ দলিচাখনিত যেন আজি
হাজাৰটা কথা,
কেতিয়াবা মন যায়, মইয়ো যেন
প্ৰকাশ কৰিম মনৰ সমস্ত সুখ-দুখ,
আৱেগ-অনুভূতিবোৰ
সেই কবিতাৰ, উপন্যাসৰ লেখক সকলৰ দৰেই,
কিন্তু নোৱাৰি, হাজাৰটা চেষ্টা কৰিও যেন
নাই পৰা মনত থকা সকলোবোৰ ভাব উজাৰি
দিবলৈ
এদিন মুকলি আকাশৰ তলত ময়ো
উজাৰি দিম মোৰ মনৰ সকলো ভাব-অনুভূতি...
হীৰুদাৰ কবিতাৰ দৰে ময়ো ক'ম
মনৰ সকলো ভাৱনা বিৱৰি
শুনিবলৈ নাথাকিব কোনো বেশ
ধৰা অবুজ মানুহ...
মাথো শুনিব প্ৰকৃতিয়ে...
সেইদিনা ময়ো জীয়াম মাথো নিজৰ মাজতে...
প্ৰাণ খুলি হাঁহিম, গাম আৰু জীয়াম...
আকোঁৱালি যেন ল'ম সেই মধুৰ সময়।
প্ৰাণ পাই উঠিব মোৰ
জীয়া অস্তিত্বই।❖

## মা

দয়না চাংমাই
চতুৰ্থ ষাণ্মাসিক

মা এটি শব্দ!
এটি আৱেগ
হেঁপাহৰ ৰহঘৰা
বুকুৰ উমলা মৰম
তোমাৰ বাবেই যে দেখো
এই জগতৰ লয়লাস
কত দুখ, কত বেদনা
তোমাতেই সকলো
তথাপিও তুমি নিমাত
স্বাৰ্থপৰ পৃথিৱীৰ তুমিয়েই চোন
মোৰ একমাত্ৰ প্ৰেৰণা।
তুমিয়েই মোৰ জীৱনৰ
এক অন্যতম শ্ৰেষ্ঠ উপহাৰ।
মা! তুমি ভালে থাকা।❖

# এইয়া যেন ফাগুনৰ সময়

পম্পী গগৈ
চতুৰ্থ ষাণ্মাসিক

এইয়া যেন ফাগুনৰ সময়
এফালে লঠঙা বিৰিখ
শূন্য প্ৰকৃতিৰ
পুৰণিক বিদায় দিয়াৰ বিষাদ
আনফালে আকৌ পলাশ
মদাৰৰ ৰঙা ৰঙা আৱেগ
বসন্ত আগমনৰ উল্লাস
এফালে চঞ্চলা গাভৰুৰ মনত প্ৰেমৰ হেন্দুলনি
আনফালে আকৌ কণমানি শিশুহঁতৰ
আনন্দৰ সন্মিলনী
দুখৰ মাজতো আনন্দ কৰাৰ এখ সময়
ফাকুৰ ৰঙেৰে আনন্দৰ সমাহাৰেৰে
জীৱন জীপাল কৰাৰ সময়
বতাহৰ ছেৱে ছেৱে চিলা উৰুওৱাৰ সময়
ঋতু পৰিৱৰ্তনৰ সময়
এইয়া যেন ফাগুনৰ সময়।❖

# তাই

কস্তুৰি গগৈ
দ্বিতীয় ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

ক'লা দীঘল চুলিটাৰি
আউলী-বাউলী হৈ
গালে-মুখে কোবাই গৈছে।
কোনোবাই কিবা এবাৰ কৈছে যদিও
তাইৰ কাণসাৰ নাই,
সুদূৰ আকাশত নিবদ্ধ তাইৰ চকুহাল।
বিষণ্ণ!!
ৰাতিৰ এন্ধাৰ!
কোঠালিটোৰ সৌ খিৰিকীখনৰ পৰা
পোহৰৰ কণাবোৰ সৰকি আহি কোঠালিটো কিছু
পোহৰাই ৰাখিছে।
এয়া জোনটিৰে পোহৰ নে
আগফালে ট-টকৈ জ্বলি থকা লাইটটোৰ পোহৰ
মই ধৰিব পৰা নাই।
নিস্তব্ধতাৰ ভেটা ভাঙি বাহিৰৰ পৰা পোক-
পৰুৱাৰ গীতবোৰ
অলপকৈ কোঠালিটোলৈ ভাহি আহিছে আৰু
নিৰৱিচ্ছিন্ন সময়ৰ সংকেত দি আছে
ঘড়ীৰ টিক্-টিক্ শব্দই।
হেৰাই গৈছো ৰাতিৰ এই প্ৰশান্তিকণৰ মাজত।❖

# এই মানৱ পৃথিৱীৰ মানৱৰ এক কাহিনী

দৃষ্টিপ্ৰিয়া গগৈ
দ্বিতীয় যান্মাসিক

এদিন এদিন কৰি দিনবোৰ বাগৰিব ধৰিছে।
মানৱ জীৱনত মানুহৰ অস্তিত্ব শেষ হ'বলৈ ধৰিছে।
মানৱ পৃথিৱীৰ মানুহেই সকলো...
কিন্তু মানুহৰ সোঁতত মানুহ এক অৰ্থহীন হৈ পৰিছে।
মানুহে মায়াত আবদ্ধ হৈ কৰ্তব্যহীন হৈছে।
এয়াই কি মানুহৰ জীৱন... হয়তো নহয়।
মানৱ পৃথিৱীৰ মানুহেই সকলো।
সেয়েহে ইজনে সিজনক সহায় কৰে।
তেতিয়াহে নিজৰ অস্তিত্ব বিচাৰি পাবা।
মানুহৰ জীৱনটো দুদিনীয়া
ইজনে আনজনৰ সাৰথি হোৱা
মায়াৰ পাৰ মুক্ত হৈ সকলোৱে এজনে আনজনৰ পৰিচয় দিয়ে।❖

# নিদিবাচোন বিদায় ৰংপুৰ

গিৰিমল্লিকা গগৈ
ষষ্ঠ যান্মাসিক

বৈ যাঁও নেকি ক্ষন্তেক ইয়াতেই
সময়ে লৈ যাব হয়তো
স্মৃতিয়ে কঢ়িয়াই নিব
ৰংপুৰৰ চুকে কোণে
ক্ৰমে ক্ৰমে কান্দি উঠিব
আজি ৰংপুৰত শেষৰটো দিন
গেইটখনেই সীমা হৈ থাককচোন দিয়া
প্ৰাণ ভৰি চাই যাওঁ আমাৰ এই ৰংপুৰ
মিটিংখনৰ বেলটো আৰু
মেট্ৰন মেম অহাৰ ভয়তো
শেষত যেন বৈ আৰু এবাৰ শুনি যাম
নিদিবা চোন বিদায় আমাক ৰংপুৰ
আকৌ আহিম বন্ধুত্বক লগত লৈ
হেঁপাহেৰে ৰংপুৰক চাবলৈ...।❖

# আইৰ সমান হ'ব কোন

তৃষ্ণা বড়া
দ্বিতীয় যান্মাসিক

মা তোমাৰ বাবে মই
কিমান মৰমৰ বাৰু?
মোক লৈ ইমান কষ্ট কৰি ভাগৰুৱা
অনুভৱ নকৰা জানো?
তুমি মোৰ বাবে বহুত চিন্তা কৰা
কি কৰিম মই ডাঙৰ হৈ
তোমালোকে পোৱা দুখ-কষ্টবোৰ
মইয়ো যাতে নাপাওঁ আগলৈ
মা মই বহুত ভাগ্যৱতী
তোমাৰ দৰে এগৰাকী মাতৃ পায়।
যিয়ে মোক মই কৰিব বিচৰা
সকলোতে সন্মতি জনায়।
মা তুমি অতিকৈ সবল
তুমি থাকিলে নহওঁ মই বিফল
মা তুমিয়ে মোৰ জননী
মই তোমাৰ মৰমৰ মাজনী।❖

# ফাগুন

শাশ্বতী বৰা
চতুৰ্থ যান্মাসিক

লঠঙা বিৰিখৰ গছজোপা আজি নিমাত
ৰঙা ৰঙা পাহিবোৰ যেন কিবা ক'ব
সৰি পৰা দুখবোৰ যে কিমান গধুৰ!
ফাগুনৰ পছোৱাই যেন লৈ গ'ল
জীৱনৰ এটা মধুৰ ক্ষণ।
আহিব জানো আকৌ ঘূৰাই
বৈ থকাৰ হেঁপাহকণো বৰ সুকীয়া,
স্মৃতিৰে ভৰা সেই দিনবোৰ
আহিব জানো আকৌ
পলাশ, মদাৰৰ সুবাস বিলাবলৈ
ভালপোৱাৰ ৰং সানিবলৈ,
বৈ থাকিম
আহিব আকৌ ফাগুন!❖

# বিদায় বেলাত ফাগুনৰ চিঠি

দীপশিখা দত্ত
দ্বিতীয় যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

আজি ফাগুনে এখন চিঠি লিখিলে
প্ৰকৃতিলৈ বুলি
উভতি যোৱাৰ বাট বুলি
সাদৰেৰে বিদায় মাগি
অতীতৰ স্মৃতি সুঁৱৰি
উভতি যোৱাৰ পৰত
আওৰাই চালে
পোৱা নোপোৱাৰ হিচাপ।
ফাকুৰ ৰঙেৰে প্ৰেয়সী প্ৰকৃতিক
ৰঙীন কৰাৰ কথা
সৰা পাতে পাতে প্ৰকৃতিৰ বুকুলৈ
প্ৰেমৰ ধাৰা বোৱাই দিয়াৰ কথা
আধৰুৱা হৈ ৰুৱা প্ৰেমৰ ভাষা!
এতিয়াতো সময় হ'ল
উভতি যোৱাৰ
আশাবোৰ সামৰি লৈ
প্ৰেম পূৰ্ণতাৰ।
ফাগুনৰ কোনো আক্ষেপ নাই
নতুন জীৱনলৈ
চিঠিৰ শেষত
প্ৰকৃতিক বসন্তক গতাই
কওঁ নকওঁ কৈ ক'লে
প্ৰকৃতিক পুনৰ লগ পোৱাৰ আশাৰে...!❖

# নিশাৰ জ্যোতি

ত্ৰিদিশা গগৈ
চতুৰ্থ যাণ্মাসিক
ভূগোল বিভাগ

এই নিশাটো যে
আজি মোৰ সজীৱ হৈ পৰিল।
কিয় জানো?
হৃদয়ৰ সেই করুণ পৃষ্ঠাবোৰ
এই নিশাটোতেটো বাগৰ সলায়।
অৱহেলা আৰু প্ৰতাৰণাৰ
ফিৰিঙতিত জ্বলি উঠা হৃদয়খন
তেতিয়াইতো উত্তাপিত হয়।
তেতিয়াই মৃত্যু হয়...
এই স্পন্দিত আত্মাৰ,
এই অজস্ৰ স্মৃতিবোৰৰ।
বিভক্ত হৈ পৰে, মোৰ এই উজাগৰি নিশাটোত
সপোনৰ বাকৰিত খিল্-খিলোৱা, এই আশাবোৰ।
নিশাৰ নিসংগতাবোৰে যেন ম্লান কৰি পেলায়।
মোৰ কল্পনাৰ কাৰেংখনকো।
মাথোঁ উজ্বলি উঠে নিশাৰ নিসংগতাৰ
পৰশ পোৱা অক্লান্ত দিশবোৰ।❖

# শব্দ

মৌমিতা বৰুৱা
ষষ্ঠ ষাণ্মাসিক

শব্দ...
মগজুৰ এক আচৰিত সৃষ্টি
যি জীৱন্ত হৈ উঠে
এখিলা উকা কাগজত
নীলা চিয়াঁহীৰ বোলেৰে।
ই যেন অনুভৱ কৰাই।
নুবুজা সাঁথৰৰ জীৱনটোক।
ই যেন পৰিচয় কৰাই
পৰিচয় বিহীন মৌপিয়াটোক।
ই জীৱন যন্ত্ৰণাৰ পাঠ পঢ়ায়,
অবুজ শব্দৰে অগণন
কবিতা লিখায়।।❖

# गर्ल्स हाँस्तल की दुनिया

Astha Borah
4th Semester

रंग-बिरंगी दुनिया न्यारी
हाँस्तल की अपनी कहानी प्यारी।
सपनो से भरी हुई तितलियाँ
हंसती गाती, उड़ती बालियाँ

कमरे छोटे, सपने बड़े
दोस्त यहाँ लगते हैं खड़े।
रातो की बाते अनगिनन
हँसी-ठिठोली मस्ती अकल्पित।

इमली, आम छत पे फेरे
कभी शरारत, कभी सबक गहरे।
क्लास की टेंशन एक्जाम का डर
पर संग दोस्ती का हौसला अमर।

चाय की चुस्की मौगी का स्वाद
कभी लड़ाई, कभी दिलों का संवाद।
राते जागी, कहानिया हजार
कभी होठो पे गाने, कभी आखो में खुमार।

..... भी है, आजादी भी
सपनी की है बुनियादी भी।
गर्ल्स हाँस्तल का सफर सुहाना
दोस्तो का रिस्ता सबसे निभाना।

कभी जुदाई कभी मुलाकात
यादे रहेंगी हर दिन हर रात।
सपनों को पूरा करने की चाह
यही तो है हास्तल की राह।❖

# The Silence You Noticed

**Kasturi Gogoi**
2nd Semester
Zoology Dept.

Did you never notice?
I saw you today- again.
Its funny how, after all these years, I still find myself
Searching for you in the crowd
Not on purpose, of course. It just ..... happens
That day in class, when you finally spoke my name
my heart paused for a second.
Not that you would've noticed.
You never do.
I was the girl who set on the last banch, alone.
The one who walked to the library, lost in books,
While the world outside buzzed with laughter.
I never fit in, but I never tried to, either.
You, on the other hand, belonged everywhere.
Your voice filled the room with case,
while mine barely rose above a whisper.
Yet somehow, you always found me in the quite
Your voice never hesitaed
a presence that filled every space,
While I remained a shadow in the background.
But then one day, you sat beside me.
"You don't need the crowd", You
'I like that about you."
I thought you were just being kind
but now I wonder- was it always more?
So today, I Finally asked,
"Why me? I've never even tried to stand out."
You just smiled,
"Maybe that's why"
And then, You said,
"Did you really think I never noticed?"❖

# The place of green butterflie's

**Anindeeta Gogoi**
2nd Semester

A place which is full of magical illusions
Everything is green all around here.
The place with special bonding,
a happy family which built with intimacy.
Where we find love, affection and
a helping hand all the time.
With secure feeling,
Where we can live with no fear,
where lives a flock of green butterflies in
Sibsagar Girls' College
The special place is Rangpur Chatri Nivas.❖

# Be a Leader

**Nikhita Phukon**
4th Semester

The boss drives his home
The leader inspiring them
The boss depends on authority
The leader depends on good will
The boss envokes fear
The leaders radiates love
The boss says I
The leader says we
The boss shows who is wrong
The leaders shows what is wrong
The boss knows how it is done
The leaders knows how to do it
The boss demands respect
The leader commands respect
So, be a Leader, not a Boss❖

# অনুভৱ মোৰ প্ৰীতিৰ স্মৃতি

বাগ্মী শইকীয়া
প্ৰথম যান্মাসিক, ভূগোল বিভাগ

দুচকুত স্বপ্নৰ আবিৰ সানি, সীমাহীন আশাৰ পৰিধি ভাঙি অৱশেষত সেই দিনটো আহিল। সিদিনা আছিল ৮ ছেপ্তেম্বৰ, দেওবাৰ। শিৱসাগৰ ছোৱালী কলেজৰ ৰংপুৰ ছাত্ৰী নিবাসে যেন কয়— এপলক ৰৈ যোৱা দি যোৱা মনৰ খবৰ। বহুদিনৰ পৰা মনত সাঁচি ৰখা মনৰ হাবিয়াস যেন আজি পূৰ্ণ হ'ল। ৰংপুৰ ছাত্ৰী নিবাসত থকাৰ সুযোগকণ পালো।

ঘৰৰ পৰা মোক আবাসত থ'বলৈ অহা মোৰ মা-দেউতাৰ সৈতে আমাৰ গাড়ীখন আহি আৱাসৰ সন্মুখত ৰ'লহি। ন-যযৌ ন-তস্থৌ অৱস্থা। এফালে ভয় আনফালে আনন্দ। এক দুমোজা ভাৱ লৈ এখোজত-দুখোজকৈ আৱাসৰ মূল প্ৰৱেশ পথেৰে ভিতৰলৈ সোমাই আহিলো। দুয়োকাষে থকা বাগানভেলিয়া, দেবদাৰু গছৰ শাৰীয়ে আৱাসলৈ যেন স্বাগতম জনাইছে। প্ৰথমে সোমাই আহিয়ে দুগৰাকী অগ্ৰজ বাইদেউক লগ পালো। তাৰ পিছত প্ৰথমটি কোঠাৰ পৰা ওলাই আহিছিল মুখত এটি মিচিকিয়া হাঁহি লৈ এগৰাকী গহীন-গম্ভীৰ মহিলা। অৰ্থাৎ আমাৰ শ্ৰদ্ধাৰ মেট্ৰন বাইদেউ। বাইদেৱে প্ৰথমে ৰেজিষ্টাৰ বহীত মোৰ স্বাক্ষৰ কৰাই আৱাসৰ নীতি-নিয়মৰ বিষয়ে সুন্দৰকৈ বুজাই দিয়ে। তাৰপাছত ইউ.জি.চি.ৰ ২৯ নং কোঠাত 'তোমাৰ চিট' বুলি কোৱাৰ পিছতে আমাৰ দুগৰাকী অগ্ৰজ বাইদেৱে মোৰ কোঠাটো দেখুৱাই দিয়ে। প্ৰথমে মোৰ ভয় হৈছিল মোৰ অগ্ৰজ বাইদেউসকললৈ, মোক মাতিবনে নামাতিব। ভিতৰলৈ সোমাই গৈ মোৰ ধাৰণা সলনি হ'ল বাইদেউসকলৰ মৰম-আদৰ দেখি। মোৰ কোঠাৰ অগ্ৰজ শিল্পী বায়ে কোঠাৰ বয়-বস্তুবোৰ সুন্দৰকৈ থ'বৰ বাবে দেখুৱাই দিলে। আৱাসলৈ আগতীয়াকৈ অহা মোৰ বান্ধৱী সঞ্চয়িকা আৰু সংস্কৃতাই মোৰ বয়-বস্তুবোৰৰ আনি দিয়াত সহায় কৰি দিয়ে। প্ৰথম দিনটোৰ বাবে মোৰ মাক মেট্ৰন বাইদেউৱে আহিবলৈ অনুমতি প্ৰদান কৰাত মা কোঠালৈ আহি বয়-বস্তুবোৰ সজাই, আৱাসৰ নীতি-নিয়ম মানি ভালদৰে থাকিবলৈ কৈ আৱাসৰ পৰা বিদায় লয়। মা-দেউতাক বিদায় দি মোৰ কোঠাত সোমাই মোৰ অগ্ৰজ শিল্পী বা আৰু মুচকানৰ সৈতে দুই-এষাৰ কথা পাতো। তাৰপাছত সন্ধ্যা ৫-৪৫ বজাত প্ৰাৰ্থনা কক্ষলৈ আহি প্ৰাৰ্থনা কৰো। প্ৰাৰ্থনা কৰি গৈ চাহ খাই পঢ়াৰ টেবুলত বহো।

৯ বজাৰ লগে লগে টং টং বেল

বাজিলেই নহয়। লাগিল লেঠা, মোৰ ভাত খাবলৈ কাঁহীখনেই নাইচোন। তাতে প্ৰথম দিন উগুল-থুগুল মন। ভাগ্য ভাল ৰূমমেট মুচকানে কাঁহী এখন যোগাৰ কৰি দিলে। সেইদিনা তেনেকৈয়ে গ'ল। পিছদিনা যেনিবা বস্তুবোৰ ইফাল-সিফাল কৰোঁতে কাঁহীখন পালো। ৰক্ষা, সকাহ পালো।

ৰাতি বিছনালৈ যোৱাৰ পিছতহে বিজুলী বাতিৰ অনুপস্থিতিত ভালকৈ এসেকা পালো। যেনেতেনে নিদ্ৰা দেৱীৰ কোলাত ঢলি পৰিলো। প্ৰথম দিনটোৰ অনুভৱ বাৰুকৈয়ে মনত সাঁচি ৰাখিলো।

আবাসলৈ অহা প্ৰথম দিনটোৰ পৰাই মোৰ অনুভৱ হৈছিল অগ্ৰজ আৰু অনুজসকলৰ মাজত থকা মৰম-চেনেহ, মিলা-প্ৰীতি। এই মৰম-চেনেহৰ এনাজৰীৰে বান্ধ খাই হয়তো আবাসীসকলে গঢ়ি তোলে এখন সুন্দৰ সমাজ। আবাসৰ প্ৰতিটো কোঠা, প্ৰতিটো চুক-কোণৰ লগত আবাসীসকল জড়িত হৈ পৰে অতি নিবিড়ভাৱে। পৰিণত হয় এখন মৰম সৰ্বস্ব ঘৰত। এইখন ঘৰৰ খ্যাতি বৃদ্ধিৰ কাৰণে সকলোৱে উঠি-পৰি লাগে বাণী বন্দনা আৰু অন্যান্য সমাৰোহৰ যোগেদি। ইয়াতে ৰচা হয় ভৱিষ্যত জীৱনৰ সপোন।

গতিকে মোৰ অনুভৱ এই সময়ছোৱাৰাই আমাৰ সকলোৰে জীৱনলৈ কঢ়িয়াই আনক অনাবিল আনন্দৰ মধুৰ প্ৰশান্তি। জয়তু ৰংপুৰ ছাত্ৰী নিবাস।❖

# সময়

কৰবী শইকীয়া
দ্বিতীয় যান্মাসিক

সেই সময় জানো এই সময়! ল'ৰালিৰ লেচেৰি বুটলা অতীত বিচাৰি আজি হাবাথুৰি খাইছো, মৌন হ'ব খুজিছো এই কংক্ৰিটৰ পৃথিৱীৰ যান্ত্ৰিক মানুহবোৰৰ সমুখত। এজনৰ আনজনৰ বাবে ক্ষন্তেক সময়ৰ অভাৱ। আপুনি, মইয়ো জানো এক যন্ত্ৰ হৈ পৰা নাই। আমাৰ আচৰণো একোটা যন্ত্ৰতকৈ কোনো গুণেই কম নহয়। ৰাতিপুৱাই উঠি একোটা যন্ত্ৰৰ দৰেই দৈনন্দিন কামবোৰ কৰি ৰাতি বিছনাত অলস হৈ পৰি দিছো ৰাতিপুৱা শুই উঠি পুনৰ একেই কাম। নিজকেই এবাৰ সুধি চাইছোনে কেনে আছো মই? হয়তো নাই চোৱা। এই ব্যস্ত পৃথিৱীখনত নিজৰ, নিজৰ আপোনজনৰ খবৰ ল'বলৈ সময় নাই আমাৰ। যিখিনি আজৰি সময় পাইছো কাৰ ৰীলছত কিমান লাইক আহিছে, কাৰ কোনটো প'ষ্ট কিমান ভাইৰেল গৈছেতেই সময় শেষ। ভৱিষ্যতৰ পাছত দৌৰি দৌৰি আমি আমাৰ বৰ্তমানত জীয়াবলৈ পাহৰি গৈছো। এই বৰ্তমান যেতিয়া অতীত হৈ পৰিছে আমি নিজক এটা কথাৰেই শান্ত্বনা দিছো যে "Past is past" কিন্তু অতীতৰ অবিহনে আমাৰ অস্তিত্ব ক'ত? আমি যদি আমাৰ অতীতক পাহৰি যাঁও, আমি আমাৰ জন্মদাত্ৰীকেই পাহৰি নাযামনে?

অতীতক বাদ দি আমি কোনোৱেই কোনোদিনেই জীয়াব নোৱাৰিব। সেয়ে যি অতীতে আপোনাৰ মোৰ বৰ্তমান স্থিৰ কৰিছে সেই অতীতকহে আমি বাদ দিম।

প্ৰতিটো আৰম্ভণিৰ আগতেই একোটা বিদায় থাকে। আন্ধাৰ ৰাতি পাৰ কৰাৰ বাবেই আমি হেঙুলীয়া পোহৰ দেখিবলৈ পাঁও। সেয়ে বিদায়বোৰক দুখৰ দুৱাৰ দলিৰ নহয় এক নতুনৰ আৰম্ভণিৰ অৰ্থাৎ এক নতুন সুখৰ কঠিয়াতলী হিচাপে গঢ়ি তোলক। বিদায়বোৰে যে সুন্দৰ আবেলিৰ হেঙুলীয়া বেলিটিয়ে কয়।❖

# জীৱন

দিশা ৰাজকুমাৰী
ষষ্ঠ যান্মাসিক

জীৱন— ই জানো মাথো এক শব্দ? নহয়, ইয়াৰ প্ৰকৃত অৰ্থ হয়তো এখন বিশাল সাগৰৰ দৰেই গভীৰ হ'ব। সকলোৰে মানেকত জীৱনৰ অৰ্থ বেলেগ বেলেগ। যিয়ে এক বিলাসিতাৰ জীৱন উপভোগ কৰিছে তেওঁ জীৱনৰ প্ৰকৃত অৰ্থ বুজি নাপালেও যিজনে দুবেলা দুমুঠি খাবৰ বাবেও হাড়-ভঙা কষ্ট কৰিছে তেওঁ কিন্তু জীৱন নামৰ কিতাপখনৰ মূলভাৱ বুজাত বাৰুকৈয়ে পাৰ্গত। কোনোৰে যদি মাহেকত লাখ টকা উপাৰ্জন কৰিও হায় জীৱন, হায় জীৱন কৰি থাকে, তেনেহ'লে বাৰীত থকা কচু-ঢেকীয়া, বগৰী, আমলখি ক'ত কি আছে সেইকেইটাকে বজাৰলৈ বুলি নি দিনটো কোনোবা আহিব, বস্তু কেইটা কিনিব দুপইচা পাম, সেই পইচাৰে ঘৰত থকা ল'ৰা-ছোৱালীকেইটা, মানুহজনীয়ে মানুহজন আহিব লগত ভোক মাৰিবলৈ কিবা এটা আনিব বুলি বাটলৈ আশাৰে বৈ থকা মানুহজনে জীৱনৰ কি সংজ্ঞা দিব? আজি যিখন সমাজত বিলাসৰ নামত লাখ টকীয়া স্মাৰ্ট ফ'ন, লাখ টকীয়া বাইকৰ আমোদ-প্ৰমোদ, সেই একেখন সমাজতে নিৰ্ধনীজনৰ আশা-আকাংক্ষাৰ মূল্য ক'ত? হয়তো নাই; কোনোৰে নিজৰ ৰাপ পূৰ কৰি ইচ্ছাহীন হ'লেই দুদিন পাছত দলিয়াই দিয়া বস্তুটোৱেই আকৌ আন এজনে তিনি-চাৰি বছৰৰ কষ্টৰ মূৰতো জীৱনৰ দায়িত্ব পালন কৰি কৰি পাবলৈ সক্ষম হোৱা নাই। হয়তো এয়ে জীৱন!❖

# সুখ দুখৰ মাজেৰে জীৱন

টুটুমণি চেতিয়া
কৰ্মচাৰী

আমি এতিয়া নিজে নিজৰ জীৱনটোক ভাল পাবলৈ শিকিব লাগে। তেতিয়াহে জীৱনটোত দুখ পালেও সকলো দুখ পাহৰি নিজৰ বাটত আগবাঢ়ি যাব পাৰি। হয়তো কিছুমান মানুহে বেছি দুখ পায় আৰু কিছুমান মানুহে কমকৈ দুখ পায়। কিন্তু দুখ সকলো মানুহৰ জীৱনত থাকেই সুখ-দুখৰ অবিহনে জীৱন এটা গঢ় লৈ উঠাটো সম্ভৱ নহয়। জীৱনটো গীতৰ সুমধুৰ সুৰৰ দৰে। জীৱনক সফল কৰি তুলিবলৈ আদৰ্শৰ তীব্ৰ প্ৰেৰণা অনুভৱ কৰা হয়।

সপোনত পোৱা জীৱনৰ স'তে বাস্তৱ জীৱনৰ মিল নাই। কিন্তু সপোনৰ জীৱনক বাস্তৱত পাবলৈ লাগে একাগ্ৰতা, আস্থা, বিশ্বাস আৰু ধৈৰ্য্য। জীৱনৰ অৰ্থ বুজিবলৈ যত্নপৰ হ'ব লাগিব। অকল ধন-ঐশ্বৰ্য্যৰ প্ৰাচুৰ্য্য থাকিলেই জীৱন ধন্য নহয়। জীৱনটোক মহীয়ান কৰি তুলিবলৈ জীৱনৰ লক্ষ্য হ'ব লাগিব দয়া, মমতা, পৰোপকাৰী মনোভাৱ সৌন্দৰ্যপ্ৰীতি আৰু আত্মসংযম আদি নৈতিক গুণবোৰৰ বিকাশ সাধন কৰি সম্পূৰ্ণ মানুহ হ'বলৈ চেষ্টা কৰা। মানুহৰ জীৱনত সুখ দুখ থাকিবই। সেই সুখ-দুখৰ মাজেৰেই মানুহ জীৱন যুঁজত আগবাঢ়ি যাব লাগিব। তেতিয়াহে সকলোৰে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব আৰু জীৱনটো সুন্দভাৱে গঢ় লৈ উঠিব। এনেদৰে পাৰ হৈ যায় সময়বোৰ সুখ দুখৰ লগত যেন এক সম্বন্ধ গঢ় লৈ উঠে। মানুহৰ জীৱন এইবোৰক লৈয়েই গঢ় লৈ উঠে। সেয়ে জীৱনৰ বাটটো একা-বেঁকা আৰু কাঁইটীয়া বুলি কোৱা হয়।❖

# বন্ধুত্ব

গিৰিমল্লিকা গগৈ
ষষ্ঠ যান্মাসিক

হোষ্টেল এখনত থকাৰ ইচ্ছা বহুত আগৰ পৰা আছিল। ৰংপুৰত থাকি সেইকণ ইচ্ছা পূৰণ কৰিলোঁ। মই ভবাৰ দৰেই লগৰ লগ পাইছিলোঁ। আমি আঠজনী আছিলো। সদায়েই লগত থাকোঁ। সিহঁতৰ লগত থাকিলে কিবা কাৰণত মনটো বেয়া হৈ থাকিলেও ক্ষন্তেকতে হাঁহিৰ পলকত দুখবোৰ পাহৰি সিহঁতৰ কথাবোৰত মগ্ন হৈ ৰওঁ। পৰীক্ষাৰ শেষৰ দিনটোত গৰমত পকাত আঠজনী শুবৰ কাৰণে উৎপাত। তাৰে মাজতে প্ৰীতিষাৰ সেই জোৰ জোৰকৈ হাঁহিৰ মাত। তাৰে একোণতে পৰিণীতাৰ আকৌ খং উঠে বোলে প্ৰীতিষা মেমে শুনিব লাগিলে গালি খাম। তাৰে ভিতৰত ৰিয়া তাই আমাক বহুত জোকাৰি থাকে কিন্তু তাইক জোকাৰি দিও কিমান যে ক'ব মই যাওঁগে তহঁতেই থাক। মোৰ ৰুমৰ দৰ্জাৰ হুকটো কিমানবাৰ যে ভাঙিলে। যি টি কৰি বিপুলদায়ে তিনিবাৰ মান ঠিক কৰি দিলে। মেঘালী হ'ল মোৰ ৰূমমেটৰ ৰূমমেট। তাইখ দেখিলে ইনেই হাঁহিটো ওলাই যায়। কাৰণ তাই হাঁহিবলগীয়া কাণ্ডবোৰ কৰি থাকি ভাল পায়। তেতিয়াও আমাৰ চাই চাই যে হাঁহি থাকে। সেইকাৰণেও তাই আমাৰ মাজত সকলোৰে প্ৰিয় এগৰাকী। পলক হ'ল হোষ্টেলখনৰ মনিট্ৰেছ। কিন্তু আমাৰ কাৰণে লগৰেই। কাৰণ তাই বস্তু লুকুওৱাত পাকৈত। কেতিয়াবা ৰিয়াৰ গুলপীয়া বটল আৰু কেতিয়াবা ৰিয়াৰ পেণ্ট। তাই মোক বিশ্বাস সিহঁতৰ ওপৰত যে কেতিয়াও নকৰিব লাগে সেইটো ভালকৈ শিকাই গ'ল। কাৰণ এদিন তাইক জুই ফুৰাই থকাত ছাইৰ ফুট লগাই আহিলো। আধা ঘণ্টাতকৈ বেছি সময় বৈ থাকিল। আৰু বহুত মিছা কথাৰে দৰ্জা খুলালে। মৌমিতা তাই বেছিকৈ হোষ্টেলত নাথাকে, কিন্তু যেতিয়া থাকে তাইৰ দৰ্শন কেৱল ৰাতি হয় ভালকৈ। কাৰণ, প্ৰীতিষা আৰু তাই ৰাতি বেলটো দিয়া পাছত বহুত ভয়ানক গতিত নিউ বিল্ডিঙৰ পৰা টপ ফ্লৰলৈ অহা-যোৱা কৰি ভাল পায়। আৰু শেষত আহিল অৰ্চিতা। তাই মোৰ বহুত আপোন। কাৰণ অৰ্চিতা, মই, ৰিয়া স্কুলৰ লগৰ। এতিয়াও স্কুলৰ বন্ধুত্বখিনি এৰি যাব দিয়া নাই। অৰ্চিতাৰ লগত সদায় ৰাতিপুৱা-গধুলি লগতে চাহ খাওঁ। আমি দুইজনীয়ে লগত থাকিয়েই সময় কটাও প্ৰায়।

ঠিক সেইদৰে মই যদ্দিচা বাৰ লগতো

বহুত ভাল সময় কটালো। তেওঁ বহুত পজিটিভ মাইণ্ডৰ আছিল। তেওঁৰ কথা মনত পেলালেও ভাল লাগি আহে মনটো। সদায় তেওঁ প্ৰাৰ্থনাৰ চিএৰি চিএৰি গাইছিল। ৰাতিপুৱা তাইৰ মাততেই শুই উঠো। টপ ফ্লৰত তেওঁৰ লগত বেছিকৈ থকা হ'ল। নিউ বিল্ডিঙত মোৰ প্ৰথম ৰুমমেট আছিল। তাৰ পাছত তেওঁ মনিট্ৰেছ হ'ল বাবে ৰুমটো টপ ফ্লৰতে ভাগ হৈ গ'ল। তেওঁ লৈ যায় কৃষ্ণাপ্ৰিয়াহঁতৰ মন্দিৰলৈ। নিজৰ বাব দৰে হৈ পৰিছিল। কলেজত তেওঁৰ লগৰে তেওঁক দিলে মোৰলৈ বুলিও টিফিনত লৈ আহে। তেওঁৰ লগতে মোকো শুৱাই লয়। কৰিশ্মা বা, হিমাদ্ৰী, মুনমি বা সিহঁতৰ নাম নল'লেও আধৰুৱা হৈ ৰ'ব। মোৰ বেমাৰত বহুত সহায় কৰিলে। হিমাদ্ৰীৰ লগত মিলি কিমান যে ৰুমটো সজাইছিলো। ইয়াত ফটো লগাম, ষ্টাডি আৱাৰত যে ৱালত ...... আঁকি থকা। পঞ্চম ষাণ্মাসিকত ইউ.জি.চি.ত প্ৰীতিৰেখা, আস্থা, মৌচুমী মোৰ ৰুমমেট। সিহঁতো মোৰ বহুত আপোন। আমি গোটেইকেইজনী ঠাণ্ডা-মাণ্ডা আছিলো মানে ঠিক-ঠাক আৰু। ৰুমটো সৰু-ডাঙৰ বুলি কথা নাছিল চৰেই পৰিপাটিকৈ আছিলো। বহুত মিলি-জুলি থাকিলো। এয়াই আছিল ৰংপুৰত চমুকৈ লিখিত ৰূপত প্ৰকাশ কৰা মোৰ বন্ধুত্ব আৰু প্ৰিয় কেইগৰাকী।❖

# ৰংপুৰ ছাত্ৰী নিবাসৰ প্ৰথম দিনাৰ অভিজ্ঞতা

ডৰিণ হাজৰিকা
দ্বিতীয় ষান্মাসিক, ভূগোল বিভাগ

সেইদিনা আছিল ৭ আগষ্ট, ২০২৪। সেই দিনটোতেই মই এক নতুন যাত্ৰাৰ দিশত অৰ্থাৎ ৰংপুৰ ছাত্ৰী নিবাসত প্ৰৱেশ কৰিছিলোঁ। পূৰ্বতে হোষ্টেলত থকাৰ অভিজ্ঞতা আছিল যদিও নতুন হোষ্টেলৰ অভিজ্ঞতা ল'বলৈ মই যথেষ্ট উৎসাহিত হৈ আছিলো। ভয়, শংকা, লাজ আৰু ঘৰখনৰ পৰা আঁতৰি অহাৰ দুখ মনত লৈ ৭ আগষ্ট ২০২৪ তাৰিখে মই RCNত প্ৰৱেশ কৰিলো। মোৰ নাম শ্ৰীমতী ডৰিণ হাজৰিকা। মই মৰাণৰ নিবাসী লগত ভূগোল বিভাগৰ ছাত্ৰী।

RCNৰ প্ৰথম দিনাৰ অভিজ্ঞতা বুলি ক'বলৈ গ'লে আচলতে ৬ আগষ্টলৈ ঘূৰি যাব লাগিব। কিয়নো মই ৬ আগষ্ট তাৰিখেই মোৰ বান্ধৱী সুস্মিতাৰ সৈতে হোষ্টেললৈ আহিছিলো। ৬ তাৰিখেই RCNন প্ৰৱেশ কৰিম বুলি মই মোৰ যাৱতীয় সকলো বয়-বস্তু লগত লৈ আহিছিলো। কিন্তু দুৰ্ভাগ্যবশত সেইদিনা বিয়লি চাৰি বাজি যোৱাৰ বাবে হোষ্টেলত এডমিশ্যন ল'ব নোৱাৰিলো। কিন্তু মোৰ বান্ধৱীৰ ৬ তাৰিখেই এডমিশ্যন হ'ল যাববাবে তাই সেইদিনাই হোষ্টেলত প্ৰৱেশ কৰিলে আৰু মই দুখ মনেৰে মাৰ লগত ঘৰলৈ উভতি আহিলো।

এতিয়া আহোঁ ৭ আগষ্ট অৰ্থাৎ মই RCNত প্ৰৱেশ কৰা দিনটোলৈ। সেইদিনা হোষ্টেলৰ বাৰাণ্ডাতে মেট্ৰন মেমক লগ পালো। মেমে হাঁহিমুখে আহিলা বুলি আদৰণি জনালে। মই পৰিছিলো টপ ফ্লৰৰ ৰুম নম্বৰ ১২ ত। মোৰ ৰুমমেট আছিল তুলিকা বা আৰু তৰালি বা। তেওঁলোক দুয়োগৰাকীয়েই খুব মৰমীয়াল আৰু অমায়িক। প্ৰথম আহিয়েই পৰিস্মৃতা বাক দেখা পালো। মোৰ নিজৰ ভণ্টিৰ দৰে মৰমৰ কৰা আন এগৰাকী আছিল নমিতা বা। এওঁলোক আটাইকেইগৰাকীয়ে মোৰ বস্তু-বাহিনীবোৰ ঠিক-ঠাক কৰি সামৰি দিয়াৰ লগতে হোষ্টেলৰ প্ৰত্যেকটো নীতি-নিয়মৰ বিষয়ে বুজাই দিছিল। প্ৰথম শুনোতে এই নীতি-নিয়মবোৰ বৰ কঠোৰ যেন অনুভৱ হৈছিল। RCNৰ অন্য এক মাদকতা হৈছে সন্ধিয়াৰ চাহকাপ। সন্ধিয়া সকলোৱে একেলগে বহি চাহ খাইছিল। সঁচাকৈ প্ৰথম দিনাই মোক ইমান মৰম কৰা দেখি সকলো দুখ, ভয় পাহৰি গৈছিলো। নমিতা বা, পৰিস্মৃতা বা, তৰালি বা, তুলিকা বা এওঁলোক সকলো .... এ প্ৰদান কৰা শ্ৰেষ্ঠতম উপহাৰ। তাৰোপৰি বাগ্মী, মুস্কান, কৰবী, সংযুক্তা ইহঁতবোৰো বুকুৰ আপোন। গোটেই RCNখনেই এটা পৰিয়ালস্বৰূপ। মেট্ৰন মেমৰ গালি, ভাত খোৱাৰ পিছৰ সময়খিনি আড্ডা এই সকলোবোৰ RCNৰ শ্ৰেষ্ঠতম সময়। এই সকলোবোৰৰ মাদকতাই সুকীয়া। আৰু প্ৰথম দিনাই এই বৃহৎ পৰিয়ালটোৱে মোক সুন্দৰভাৱে আদৰি ল'লে।❖

# অচিনাকিৰে গঢ়া আপোন সম্পৰ্কবোৰ

পৰিণীতা গগৈ
ষষ্ঠ ষাণ্মাসিক

ধূলিয়বি পদূলিত ল'ৰি-ফুলা সময়ত হয়তো বুজা নাছিলো সম্পৰ্ক নামৰ বিশেষ এনাজৰীডালৰ কথা। তথাপিও জনা-নজনাৰ মাজেৰে বান্ধ খাই পৰিছিলো পৰিয়াল সদৃশ আত্মীয়তাৰে। সংজ্ঞাহীন জীৱনত কেতিয়াবা ভাবিবলৈ বাধ্য হওঁ মৰম-চেনেহ, আত্মীয়তাৰে গঢ় লৈ উঠা সম্পৰ্ক নামৰ ভেটিটোৰ কথা। অজানিতে কেতিয়াবা কিছুমান সম্পৰ্ক স্থায়ী হৈ পৰে। গঢ়ি উঠে মৰম-চেনেহ, বিশ্বাস আৰু আত্মীয়তা, পৰিৱৰ্তনে ধুৱাই নিয়াবোৰতো বৈ যায় স্মৃতিৰ মুকুতা। সৰাপাতৰ দৰে ধূসৰিত স্মৃতিবোৰ কেতিয়াবা সোঁৱৰণিৰ বতাহজাকে চুই যায়। নিঃসৰিত হ'বলৈ ধৰে পাৰ কৰা মুহূৰ্তবোৰ।

সময় সোঁৱৰণি গৰাহত পৰি বৰ্তমানৰ পৰা ভৱিষ্যতলৈ গতি কৰো। পৰিৱৰ্তন আহে আৰু পৰিৱৰ্তনে ধুৱাই নিয়ে আমাৰ ধূলিয়বি জীৱনৰ পৰিধি। কোনোবাখিনিত হেঁপাহবোৰ বৈ যায় আৰু কোনোবাখিনিত হতাশাই আগুৰি ধৰে। তথাপিও আগবাঢ়ি যায় জীৱন নামৰ সুঁতি। সময়ৰ সুঁতিৰে ডাঙৰ হোৱা আমিবোৰক বয়সেও দি যায় অভিজ্ঞতাৰ সাজ। যেতিয়া ধূলিয়বি জীৱন আৰম্ভ কৰিছিলো তেতিয়া এখোজ-দুখোজকৈ আগুৰাই আহি সপোন দেখা আৰম্ভ কৰিছিলো। সপোনৰ দুপাখি মেলি সফলতাৰ দিশে উৰা মৰাৰ।

মনৰ অৱসাদ আঁতৰাই অতীতলৈ যেতিয়া উভতি চাওঁ, অনুভৱ কৰোঁ অজানিতে বান্ধ খাই ৰোৱা সম্পৰ্কৰ কথা। চিনাকি অচিনাকি ভাৱেৰে গঢ়ি উঠা কিছু অচিনাকি আপোন সম্পৰ্ক। য'ত মৰম থাকে, বিশ্বাস থাকে আত্মীয়তাৰে ভৰি থাকে যাৰ এৰাব নোৱাৰা এনাজৰী।

ঘৰখনৰ পিছতেই ছাত্ৰাৱস্থাৰ আন এক আৱাসগৃহ হৈছে হোষ্টেল। য'ত নীতি-নিয়ম, অনুশাসনৰ মাজেৰে এজনে আনজনৰ লগত এক সম্পৰ্কৰে বান্ধ খাই পৰা দেখা যায়। কোনোবা জ্যেষ্ঠ, কোনোবা কনিষ্ঠ আৰু একেবাৰে আপোন হৈ পৰা লগৰীকেইজনী। পলক, মনিষা আৰু মই সৰুৰ পৰা বৰ্তমানলৈকে অৰ্থাৎ ১৫ বছৰৰ বন্ধুত্বৰে বান্ধ খাই থকাৰ উপৰিও হোষ্টেলৰ সেই চিনা-অচিনাকিৰ মাজত মৌমিতা, প্ৰীতিষা, গিৰিমল্লিকা, ৰিয়া, অৰ্চিতা আৰু মেঘালী ইহঁতকেইজনীনো মোৰ কেনেকৈ ইমান আপোন হৈ পৰিল গমেই নাপালো। ইহঁতকেইজনী নোহোৱা হ'লে হয়তো মোৰ এই তিনিবছৰীয়া হোষ্টেলীয়া জীৱনৰ মধুৰ সময়কণ স্মৃতিৰ সাঁচিপাতত ধৰি ৰাখিব নোৱাৰিলোহেঁতেন। সিহঁত মোৰ সন্মানীয় হ'লেও কেতিয়াবা হৈ পৰে অভিভাৱক, কেতিয়াবা ভগ্নী। উজাগৰি নিশা পাৰ কৰিব পাৰে এজনে আনজনৰ বেমাৰত। এয়াই আত্মীয়তা এদিন অচিনাকি ভাৱেৰে চিনাকি হৈ হৃদয়ত আপোন হৈ পৰা আমাৰ অচিনাকি আপোন সম্পৰ্ক।❖

# অনুভৱৰ পাতত ৰংপুৰ ছাত্ৰী নিবাস

নম্ৰতা শইকীয়া
ষষ্ঠ যান্মাসিক

আজিৰ পৰা তিনিবছৰ আগত মনত ভয়, দুখ আৰু আনন্দৰ সংমিশ্ৰণৰ সৈতে ৰংপুৰ ছাত্ৰী নিৱাসত আহি ভৰি দিছিল। সকলোফালে অচিনাকি মুখবোৰ। ৰামত গৈ ভাবিছিলো কেনেকৈ পাৰ কৰিম মাইঁতৰ অবিহনে এটা এটা দিন। কিন্তু লাহে লাহে দিনবোৰ পাৰ হ'ল আপোন মানুহৰ সংখ্যাও বাঢ়ি আহিল। বাইঁতৰ মৰম, শাসনবোৰ আৰু হোষ্টেলৰ নিয়মবোৰৰ মাজত সুখ বিচাৰি পালো। লাহে লাহে বন্ধুত্বৰ সংখ্যাও বাঢ়ি আহিল। ইয়াত থাকিলে ঘৰলৈও মনত নপৰা হ'ল। এইখনে হৈ পৰিল মোৰ দ্বিতীয়খন ঘৰ। হোষ্টেলত থাকি সময়ৰ প্ৰতি সচেতন হ'বলৈ শিকিলো। দায়িত্ব বুজি নিজৰ সকলো কাম কৰিব পৰা হ'লো। ভালৰ মাজতে যিহেতু বেয়াও থাকে তেনেদৰে মোৰ লগতে একে হৈছিল, সকলোকে সহজে কম সময়তে বিশ্বাসত লোৱা ছোৱালীজনীয়ে মানুহক চিনিপোৱা এটা শিক্ষা পালো। তাৰ মাজতে আগবাঢ়ি আহিলো। কেইজনীমান ছোৱালীৰ নাম নল'লে হয়তো মোৰ লিখনীটোৱেই আধৰুৱা হৈ ৰ'ব। অশ্লেষা, বৰ্ষা, মনিষা, নিহাৰিকা, পৰিস্মৃতি, শাশ্বতী, ৰূপশিখা তহঁতি মৰম-অভিমানৰ মাজেৰে মোক মই হিচাপে গ্ৰহণ কৰি মোৰ হোষ্টেলীয়া জীৱনটো মধুৰ কৰি তুলিলি। আৰু মোৰ মৰমৰ ভণ্টিকেইজনী আছেই নহয়। নিশিতা, হেপি, দয়না, তৃষণা, কঙ্কনা, পিংকী, সুস্মিতা ইহঁতকেইজনীয়ে সন্মান আৰু মৰমেৰে অতি কম সময়তে মোক আপোন কৰি ল'লে। মেট্ৰ'ন মেমৰ শাসন আৰু মৰমৰবোৰ কেতিয়াও পাহৰিব নোৱোৰো। নিজৰ ছোৱালীৰ দৰে তেওঁ সকলোকে আৱৰি ৰাখে। হোষ্টেলীয়া জীৱনত বহুতো তিতা-মিঠা অভিজ্ঞতা পালো তাৰ মাজতে আগুৱাই আহিলো আৰু কেইটামান দিনৰ পিছতে মৰমৰ RCN খনক এৰি যাব লাগিব। কেনেদৰে তিনিটা বছৰ পাৰ হ'ল গমকে নাপালো। ঘৰৰ পৰা আহোঁতে যেনেকৈ মনত বহুত কথা লৈ আহিছিলো তেনেকৈ ঘৰলৈ উভতি যাওঁতেও এটা স্মৃতিৰ টোপোলা মনত বান্ধি লৈ যাম। RCNৰ মধুৰতাবোৰ মই শব্দৰে লিখি শেষ কৰাটো কঠিন। আশা কৰো RCNৰ এতিয়াৰ যিমান সেই মান আগলৈও যাতে অটুত থাকে। শেষত, মৰমৰ ৰংপুৰ ছাত্ৰী নিৱাসৰ দীৰ্ঘায়ু কামনা কৰি মোৰ লিখনি সমাপ্ত কৰিছো।❖

# এক অনন্য অনুভৱ RCN

আকাংক্ষা দিহিঙীয়া
ষষ্ঠ ষান্মাসিক

'ৰংপুৰ ছাত্ৰী নিবাস' ৰঙে-ৰসে ভৰপূৰ ঐতিহ্যমণ্ডিত শিৱদৌলৰ কাষতে থকা শিৱসাগৰ ছোৱালী কলেজৰ একমাত্ৰ হোষ্টেল আমাৰ মৰমৰ ৰংপুৰ ছাত্ৰী নিবাস ওৰফে RCN। ৰংপুৰ মানেই ৰঙেৰে পৰিপূৰ্ণ, য'ত অনাবিল আনন্দ, ৰং-ধেমালি, হাঁহি-ফুৰ্তিৰ জোৱাৰ। ৰংপুৰ নামেৰেই নামাকৰণ আমাৰ ৰংপুৰখনি ৰঙেৰে পূৰ্ণ হৈ থকা এটি পৰিয়াল।

সেইদিনা আছিল ২০২২ চনৰ ২০ আগষ্ট। যিদিনা মই মনৰ হেজাৰ সপোন লৈ খোজ দিছিলোহি ৰংপুৰৰ দুৱাৰডলিত সেইদিনাৰ পৰাই কলেজীয়া জীৱনৰ লগতে হোষ্টেলীয়া জীৱনৰ আমেজেই সুকীয়া। প্ৰথমবাৰৰ বাবে ঘৰৰ পৰা আঁতৰি অহাৰ বাবে মনত বহুতো দুখ লাগিছিল যদিও ৰংপুৰে মোক এটি নতুন পৰিয়াৰ লগত চিনাকি কৰাই দিছিল। প্ৰথম কেইদিনমান ঘৰলৈ খুব মনত পৰিছিল লগতে জ্যেষ্ঠসকললৈ অলপ ভয়ো লাগিছিল। পাছলৈ সময় পাৰ হোৱাৰ লগে লগে জ্যেষ্ঠ বা, বান্ধৱী সকলোৰে ইমান মৰমেৰে আকোৱালি ল'লে কেতিয়ানো ৰংপুৰ ইমান আপোন হৈ পৰিল গমেই নাপালো। সঁচা অৰ্থত ৰংপুৰেই হ'ল আমাৰ দ্বিতীয়খন ঘৰ, যিয়ে সকলোকে এটা পৰিয়ালৰ দৰে সামৰি লয়, য'ত সকলোৰে এক আপোনতা অনুভৱ হয়। হোষ্টেলৰ কিছুমান নিয়ম, যি মোৰ বহুত ভাল লাগিছিল। যেনে— বাথৰুমৰ বাবে লাইন পতা, ভাত খাবৰ বাবে ঘণ্টা মৰা, প্ৰাৰ্থনাৰ বাবে ঘণ্টা ইত্যাদি। RCN ৰ প্ৰায় ছোৱালীবোৰৰ মাজত পঢ়া-শুনাৰ উপৰিও গান-নাচ, অভিনয়, খেল ইত্যাদি প্ৰতিভাসমূহ আছে। আমাৰ RCN ত বহুতো উৎসৱ-পাৰ্বণ, অনুষ্ঠান যেনে নৱাগত আদৰণি সভা, বিদায় সভা, সৰস্বতী পূজা, হোলী, দেৱালী, জন্মাষ্টমী, কাতি বিহু ইত্যাদি আয়োজন কৰা হয়। সঁচাই হোষ্টেলত উপভোগ কৰা এই মুহূৰ্তবোৰ বৰ আনন্দদায়ক।

চাওঁতে চাওঁতে RCN ৰ পৰা আমাৰ যাবৰে হ'ল। মাজত মাথো কেইটামান দিন বাকী। হাঁহি-ধেমালিৰ মাজত কেতিয়ানো তিনিটা বছৰ পাৰ হ'ল গমেই নাপালো। ৰংপুৰে তিনিটা বছৰত বহু কথাই শিকালে আৰু বহুতো মূল্যবান উপহাৰো দিলে। যাৰ কথা নক'লে সকলোৰে আধৰুৱা হৈ

ৰ'ব। মোৰ মৰমৰ বা কেইগৰাকী ৰীমা বা, স্নেহা বা, দেৱলক্ষী বা সকলোতকৈ আপোন। আৰু লগতে অতিকৈ মোৰ আপোন বান্ধৱী শিল্পীশিখা, অংকিতা যিয়ে মোৰ সুখ-দুখৰ সকলো খবৰ ৰাখিছিল। যাৰ আগত মনৰ কথাবোৰ প্ৰকাশ কৰিব পাৰিছিলো, লগতে এজনী মৰমলগা ভণ্টি 'আস্থা' যাক মনৰ কথা কৈছিলো। সকলোৰেই বহুত বেছি প্ৰিয় মোৰ তেওঁলোকৰ লগত পাৰ কৰা মুহূৰ্তবোৰ মধুৰ স্মৃতি হৈ ৰ'ব। সিহঁতকেইজনীৰ লগত কেনেকৈনো তিনিটা বছৰ পাৰ কৰিলো, কত যে কি কৰিলো। নকৰিবলগীয়া কামবোৰ কৰিছিলো, লগতে মাজে মাজে কাজিয়াও নকৰা নহয় সৰু-সুৰা। ইয়াৰ উপৰিও আৰু বহুতো আছে যাৰ লগত মই তিনিটা বছৰ পাৰ কৰিলো। Study hour ৰ প্ৰতিটো মুহূৰ্তই একোটা মধুৰ স্মৃতি হৈ ৰ'ব। RCN ত মেট্ৰন মেমৰ গালি, চাহৰ আড্ডা, মেগী পাৰ্টি ইত্যাদি। ৰংপুৰৰ এইবোৰ স্মৃতিয়ে মনত সদায়ে দোলা দি থাকিব। শেষত ভালে থাকক মৰমৰ ৰংপুৰখনি দীৰ্ঘজীৱী হওক ৰংপুৰ, এয়াই কামনা।❖

# সন্ধিয়া ৫.৩০ বজাৰ পিছৰ অনুভৱ

**মুছকান চাব্বা হুছেইন**
দ্বিতীয় যান্মাসিক

মই যেতিয়া প্ৰথম ৰংপুৰ ছাত্ৰী নিৱাসলৈ অৰ্থাৎ RCNলৈ আহিছিলো, তেতিয়া হোষ্টেলৰ সকলোবোৰ নীতি-নিয়ম মানিচ চলিব পাৰিছিলো। হোষ্টেললৈ অহাৰ প্ৰথম দিনাই যেতিয়া ৫-৩০ বজাত প্ৰাৰ্থনা কৰাৰ পিছত নিজৰ সকলোতকৈ প্ৰিয় বস্তু অৰ্থাৎ ম'বাইল ফোনটো জমা দিব লাগিব বুলি গম পাইছিলো তেতিয়া মই খুবেই মৰ্মাহত হৈছিলো। সুখ-দুখৰ মাজতে দিওঁ-নিদিওঁকৈ ফোনটো জমা দিওঁ আৰু। তাতকৈ আকৌ দুখৰ কথা যে পঢ়া সময়ত ম'বাইলটো ল'বলৈ দৰ্খাস্ত দিব লাগে। পৰিণিতা বাইঁতে যেতিয়া ফোনটো ল'বলৈ ডাইনিং হ'ললৈ যায়, তেতিয়া মই ৰুমত পঢ়া টেবুলখনতে বহি কিতাপখন মেলি এশ এটা চিন্তা কৰি থাকো। তাৰ মাজতে আকৌ টোপনিটো আহে নহয়। আকৌ ফোনটোলৈ মনত পৰেই নহয়, কিজানি কোনোবাই ফোন, মেচেজ কৰিছেই নি। কোনোবা বুলি যে ক'লো সেই গুৰুজনা আকৌ প্ৰিয়জনো হ'ব পাৰে দেই। লাহে লাহে লগৰখিনি আৰু বাইঁতৰ মাজত থাকি, কথা পাতি ভাল লগা হয়। এতিয়া আৰু মন গ'লেও ফোনটো নোলোৱাকৈ থাকিব পাৰো।❖

# ৰংপুৰ

বৰ্ষা ৰাণী বৰা
ষষ্ঠ ষাণ্মাসিক

এদিন সকলো স্মৃতি হ'ব, দিনবোৰ বাগৰি গৈ থাকিব, এদিন দুদিনকৈ মাহ বছৰ, কাইলৈ স্মৃতিৰ পৃষ্ঠাত এটি হেৰাই যোৱা পদুম যাৰ সুবাসে আমাক সকলোকে জীয়াই ৰাখিব।

হোষ্টেলীয়া জীৱনৰ এয়া মোৰ প্ৰথম অভিজ্ঞতা, হয়তো মোৰ দৰে আন কেইবাগৰাকীৰ বাবেও চাগে এই অভিজ্ঞতা নতুন। ৰংপুৰ ছাত্ৰী নিবাস ২০২২ চনৰ ১৪ আগষ্টত প্ৰথম এই ছাত্ৰী নিবাসত উপস্থিত হৈছিলোঁহি। গোটেই পৰিবেশটোৱেই মোৰ বাবে নতুন আছিল। ন ন চিনাকি মুখেৰে সকলোৰে লগত মিলা-প্ৰীতি, হাঁহি-ধেমালিৰে তিনিটা বছৰ পাৰ কৰি আজি যে আমাৰো বিদায়ৰ সময় সমাগত। চাওঁতে চাওঁতে তিনিটা বছৰ যেন চকুৰ পলকতে পাৰ হৈ গ'ল। ঘৰৰ পৰা অহা দিনটো যে আজিও মনত আছে। দেউতাৰ আশীৰ্বাদ লৈ চকুলো টুকি ঘৰৰ পৰা হোষ্টেললৈ বুলি ওলাই আহিছিলোঁ। মা আৰু দাদাহঁতে আহি হোষ্টেলত থৈ গৈছিল। মা আৰু মই হোষ্টেলৰ ভিতৰত সোমাই আহোঁতে মেট্ৰন মেমে টিকট টানিবলৈ দিছিল, খুব ভয়ে ভয়ে টিকট খুলি চাই দেখো মই নিউ বিল্ডিঙৰ ৰুম নম্বৰ ৪ ত পৰিছোঁ। চিনিয়ৰ বা কেইজনীয়ে ৰুমটো দেখুৱাই কৈছিল বিক' তোৰ ৰুমমেট আহিছে। মোৰ সৰুৰ পৰা আটাইতকৈ ভাল বান্ধৱী মানে মোৰ বেষ্ট ফ্ৰেণ্ড দুগৰাকীয়েও ইয়াত এডমিছন লৈছিল আৰু গাঁৱৰে বা এগৰাকী হোষ্টেলত থকাৰ বাবে ভয়টো অলপ কমিছিল। সকলোৰে লগত ভালদৰে কথা পাতি মাতও ঘৰলৈ বুলি উভটিছিল।

হোষ্টেলৰ চিনিয়ৰ বা সকলক দেখি আমি ভয় খাইছিলো যদিও তেওঁলোকৰ মৰমে আমাক আবৰি ৰাখিছিল। ৰুমমেট হিচাপে পোৱা বিক' বা, প্ৰিয়ংকা বা, দেৱাস্মৃতি বা আৰু নিহৰিকা আমি গোটেই কেইগৰাকীয়ে পাৰ কৰা সময়খিনি ভাল লগা আছিল। বিক' বাৰ ৰসাল কথাবোৰে যেন ৰুমটো হাঁহিৰে ভৰাই তুলিছিল। প্ৰতিটো দিনেই যেন ভাল লগা হৈ পৰিছিল। ৰাতিপুৱা চাহৰ বেলৰ পৰা আৰম্ভ কৰি গধূলিৰ সময়খিনি কোনে পাহৰিব পাৰিব। পঢ়াৰ লগে লগে মেগী পাৰ্টি লগতে মেট্ৰন মেমৰ আগত ধৰা পৰাৰ ভয়।

চাহ আৰু ভাত খোৱাৰ পাছৰ সময়খিনিৰ সৰু সৰু আড্ডা। সেই সময়খিনিত যেন কাৰ কিমান কি কথা ওলাই, কিমান হাঁহিৰ খোৰাক তাৰ সাক্ষী যেন আমাৰ মৰমৰ ৰংপুৰখন।

হোষ্টেলীয়া জীৱনৰ ভাল লগৰী মনিষা, নিহাৰীকা, নম্রতা, পৰিস্মিতা, ৰূপশিখা আৰু আমি তিনিজনী মই, শাশ্বতী, অম্বেষা আমাৰ মাজৰ বন্ধুত্বৰ জৰীডাল যেন এনেদৰেই থাকক। সুখৰ-দুখৰ সময়খিনিত এজনী আনজনীৰ লগৰী, মাজে-মাজে সুৰু-সুৰা কাজিয়া, কথাৰ মাজে মাজে এটা-দুটা কাট আৰু কত যে কি.... এই মৰমখিনি যেন অকণমান সুকীয়া। সময়ৰ লগে লগে আমি সকলো যেন এটি পৰিয়াল হিচাপে বান্ধখাই পৰিছিলোঁ।

ৰংপুৰৰ এই ভাললগা কথাবোৰৰ মাদকতাই বেলেগ। ৰংপুৰ আমাৰ বাবে আবেগ। কিমান যে স্মৃতি ভৰি আছে এই ৰংপুৰখনত। এই আবাসত পাৰ কৰা প্ৰতিটো সময় প্ৰত্যেকগৰাকী ছোৱালীৰ বাবেই মধুৰ। ৰংপুৰে শিকোৱা প্ৰতিটো কথাৰ বাবে আমি কৃতজ্ঞ।

ৰংপুৰৰ কথা লিখি থাকিলে কলমেও যেন থমকি ৰোৱাৰ নাম নলয়। লিখিব লগা বহু থাকিল যদিও সামৰিবতো লাগিবই। শেষত ভুল-ত্ৰুটিৰ মাজেৰে মোৰ এই লেখাটো ইমানতে সামৰিছোঁ।

মৰমৰ ৰংপুৰখন যেন সদায় জিলিকি থাকিব। সকলোৰেই জীৱনত সফল হওক, সকলোৰে ভাল হওক তাৰে কামনা। ৰংপুৰে দিয়া এই ধুনীয়া সময়খিনিৰ বাবে ধন্যবাদ।❖

# সেই সময়বোৰ আমাৰ আছিল

গায়ত্ৰী বৰুৱা
চতুৰ্থ ষাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ

চিকিমিকি আন্ধাৰ বাৰাণ্ডাত টিপ্ টিপকৈ কেৰাচিন তেলৰ চাকিৰ পোহৰ। কিনাৰৰ ৰাস্তাৰে বাগানৰ পৰা অহা কামৰ অন্ত পেলাই ঘৰমুৱা মানুহবোৰৰ চাইকেলৰ টিলিঙাৰ মাত, ধূপৰ সুগন্ধ আনফালে দোকানখনতো লেমৰ পোহৰৰ মাজতেই মানুহৰ ইটো-সিটো ভিৰ। সম্পূৰ্ণ এটা গাঁৱৰ পৰিৱেশত আজিৰ পৰা প্ৰায় বহুকেইটা বছৰক আগৰ এটা দিন। যেতিয়া এতিয়াৰ এল.ই.ডি. লাইটো গাঁৱৰ ঘৰ এখন জিলিকাই তোলা নাছিল। ভাল আছিল সেই সময়। য'ত গৰম দিনত বাহিৰৰ চোতালত দেতা (দেউতা) মা গোটেই পৰিয়ালটো বহি বিচনীৰ বিচ লৈ আকাশৰ তৰা হিচাপ কৰিছিলো এটা এটাকৈ, আকৌ বাহিৰত কথা শুনাৰ ধান্দাত ভিতৰত গৰমৰ বাহানা দি চোতালতে চিমনি লেমৰ পোহৰত পাতি পাৰি চিঞৰি চিঞৰি 'জেউতি' কবিতা পাঠ কৰা দিনকেইটা।

এতিয়া বিশটা বছৰত ভৰি দিলো। আমাৰ আগৰ জ্যেষ্ঠসকলে কিমান পুৰণি দিনৰ আমেজ ল'লে সেয়া উল্লেখ কৰিব মই বা মোৰ বয়সৰ ছাত্ৰীয়ে প্ৰকাশ কৰিব নোৱাৰিব। কিন্তু যিখিনি সময় মই বা মোৰ সমনীয়াই উপভোগ কৰিবলৈ পালো জীৱনৰ কোনোবাখিনিত সৌভাগ্যশালী বুলি ভাবো কিয়নো সেই পৰিৱেশ কেতিয়াও ঘূৰাই আনিব নোৱাৰি। য'ত বাঁহেৰে ঢেকী বনাই খেলা, মাটিৰ গুৰি, ধূলিৰে পিঠা বনোৱা, চাহপাত, বাঁচি পাতেৰে পইচাৰ হিচাপ ধৰা কাঠৰ সৰু সৰু টুকুৰাৰে ম'বাইল ফোনৰ আমেজ লোৱা, গৰু বন্ধা ৰছী কেইডাল লাগিলে হাজাৰেই গৰু গৰু নোগোন্ধাওক কিয় ভঁৰালত উলোমাই বান্ধি দিবলৈ চিঞৰ-বাখৰ কৰা, বান্ধি দি জুলনা জুলা সময়খিনিয়ে এতিয়াও হাত বাউল দিয়ে ঘূৰি আহ আকৌ এবাৰ।

সময়ে সকলোকে ৰিঙিয়াই কিন্তু মোক এক মুহূৰ্তৰ বাবে হয়তো ঘূৰাই লাগে সেই সময়খিনি সেই পৰিৱেশটো য'ত সন্ধ্যাৰ বেলিকা গাঁৱৰ প্ৰত্যেক ঘৰতে চাকি-লেমৰ পোহৰ কম ভলিয়ম ৰেডিঅ'ৰ বাতৰি— 'এয়া আকাশবাণী ডিব্ৰুগড়...' চাকি-লেমৰ পোহৰত ৰহণ সনা ধূপৰ মিহি সুগন্ধৰ মাজেৰে শিলগুটিয়া ৰাস্তাত দুই-তিনিখন চাইকেল অহা-যোৱা টিলিঙাৰ শব্দ! মাজে মাজে এষাৰ-দুষাৰ মাত।

সময়ৰ পাকঘূৰণিত আমি যিটো সময়ত আছো না তেনে এটা পৰিৱেশৰ আমেজ ল'ব

পাৰিম না সেই সময়ত পোৰা মৰমবোৰ, সম্পৰ্কৰ মধুৰতাবোৰ এতিয়া তেতিয়াৰ দৰে ধৰি ৰাখিব পাৰিম। বৰ্তমানৰ কণ কণ মাইনা-মইনীসকলে ম'বাইল ফোনৰ গেমৰ পৃথিৱীখনৰ বাহিৰে তাৰ ভিতৰৰ পৃথিৱীখনত আমি পাৰ কৰি অহা ঢকুৰাত চোঁচৰাৰ পৰা নাৰিকলৰ খোলাৰে কেৰাহী বনাই ভাত বনোৱা খেলৰ আমেজ হয়তো ল'ব নোৱাৰিব কাহানিও। সেই পৰিৱেশ, সেই সময় উপহাৰ আছিল আমাৰ বাবে। কিয়নো সেই মাদকতা এতিয়া আৰু নাই। সময়ে যিদৰে আগলৈ আগবাঢ়ি যাবলৈ শিকাইছে তাৰ পৰিণতিত ভালৰ লগতেক বেয়াৰ দিশত কেনেকুৱা এটা পৰিৱেশ গা কৰি উঠিছে সেয়া উল্লেখ নকৰিলেও সকলোৰে জ্ঞাত। বৰ্তমানৰ কিছুমান অস্বাভাৱিক কাম, অস্বাভাৱিক ঘটনাই, প্ৰতিযোগিতামূলক পৃথিৱীখনে কেতিয়াবা জীৱনৰ সেই বয়সতোলৈ টানি আজোৰি নিয়াৰ ..... ধৰে। সৰু সৰু স্মৃতিবোৰ প্ৰকাশ কৰিবলৈ হ'লে শেষ নহ'ব। কিয়নো স্মৃতিৰ টোপোলাবোৰ যিমানেই গধুৰ হৈ পৰে।

সেই সময়ৰ এটা পৃষ্ঠাৰ অনুভৱ প্ৰকাশ কৰিলোঁ। যিটো পৃষ্ঠাত থূপ খাই আছিল এলানি পাহি মেলিব ধাৰ ফুলৰ কলি।❖

# নেতিবাচক চিন্তা ধ্বংসৰ মূল

নিশিতা ফুকন
চতুৰ্থ যান্মাসিক

অৱচেতন মনে গঠনমূলক আৰু ধ্বংসকাৰী চিন্তাৰ আৱেগৰ বিষয়ে কোনো বিচাৰ নকৰে। অৱচেতন মনে কোনো ভয়ংকৰ চিন্তাক যেনেদৰে বাস্তৱত গতিময় কৰি তোলে, ঠিক তেনেদৰে সি সাহস বা বিশ্বাসকো গতিময় কৰে। অৱচেতন মনে তাকেই কৰে। যি কৰিবলৈ আমি ইংগিত দিওঁ।

বিদ্যুৎ শক্তিয়ে যেনেদৰে কল-কাৰখানাৰ যন্ত্ৰপাতি চলাই উৎপাদন কৰ্মত সহায় কৰে, ঠিক তেনেদৰে আত্ম পৰামৰ্শয়ো আমাক শান্তি আৰু উন্নতিৰ শিখৰলৈ টানি লৈ যায়। তাৰ অন্যথা আমি নিমজ্জিত হ'ম হতাশা, ব্যৰ্থতা, হীনমান্যতাৰ গহ্বৰত। আমি আমাৰ জীৱনত সফল হ'ব পাৰিম নে নাই সেই সকলোবোৰ কথা নিৰ্ভৰ কৰে আমি নো আমাক কেনেদৰে পৰিচালনা কৰিম তাৰ ওপৰত।

নিজকে পৰাজিত বুলি ভাবিলে পৰাজয় হোৱা নিশ্চিত। ব্যৰ্থতাৰ চিন্তাই ব্যৰ্থতা আনে। পুৰস্কাৰ পাব বিচাৰিলে নিজৰ সম্পৰ্কে নিশ্চিত হোৱাটো একান্ত জৰুৰী যে এই জীৱন হ'ল এটা যুদ্ধক্ষেত্ৰ, ইয়াত যে কেৱল বলবানসকলেহে জয়ী হ'ব এনে নহয়, এই যুদ্ধত জয়ী তেওঁৱেই হ'ব যিয়েই ভাবিব পাৰে যে তেওঁ বিজয়ী হ'বই।❖

# প্ৰাৰ্থনাৰ প্ৰাসংগিকতা

নিশিতা ফুকন
চতুৰ্থ যান্মাসিক

'প্ৰাৰ্থনা' এক শক্তি যিয়ে মনলৈ কঢ়িয়াই আনে অফুৰন্ত শক্তি, শক্তি তথা উদ্যম। মনটো শান্ত কৰি ভগৱানৰ অনন্ত ৰূপছাঁয়া মনলৈ আমি কায় মনো বাক্যে আমি প্ৰাৰ্থনা কৰো। প্ৰাৰ্থনা হ'ল ঈশ্বৰৰ সেৱা আৰু তেওঁৰ আজ্ঞা পালন কৰাৰ এক মাধ্যম।

সমাজৰ প্ৰতিজন মানুহৰে জীৱনত প্ৰাৰ্থনাৰ সংজ্ঞা, মূল্য আৰু উপযোগিতা নিজৰ মনৰ জোখাৰে নিৰ্ধাৰণ কৰে। মানুহৰ বয়স, মানসিক প্ৰয়োজন আৰু পৰিস্থিতিৰ লগে লগে প্ৰাৰ্থনাৰ সুৰ সলনি হৈ গৈ থাকে। মানুহৰ মনতকৈ বেগৱন্ত বস্তু এই পৃথিৱীত একেবাৰেই নাই। এই বেগী মনটোক বিচলিত হৈ নপৰাকৈ নিয়ন্ত্ৰিত কৰাত প্ৰাৰ্থনাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমাৰ মনৰ পৰা গৰ্ব, অহংকাৰ, হিংসা আদি অশুভ প্ৰবৃত্তিসমূহ আঁতৰ কৰি সত্য সুন্দৰ সাধনত ব্ৰতী হ'বৰ বাবে উৎসাহ প্ৰদান কৰাৰ লগতে মনটোক পৱিত্ৰ আৰু শক্তিশালী কৰি প্ৰাৰ্থনাই আমাক মানসিক পুষ্টিৰ যোগান ধৰে।

প্ৰাৰ্থনাৰ গুৰুত্ব সম্পৰ্কে "WHY WE SHOULD PAY GOD?" শীৰ্ষক গ্ৰন্থখনত মাদাৰ টেৰেছাই কৈছিল, "Prayer is not asking. Prayer is putting oneself in the hands of God, at his dispposition, and listening to his voice in the depth of our heart. God shapes the world by prayer. The more praying there is in the world the praying there is in the world the better the world will be, the mightier the forces against evil."

প্ৰাৰ্থনা শব্দটোত অন্তৰ্নিহিত হৈ আছে অসীম সাহস, বিশ্বাস আৰু ধৈৰ্য্যৰ সৰ্বোচ্চ শক্তি যি আমাৰ মাজত উদ্ভৱ হোৱা সকলো অশুভ শক্তি নাশ কৰি শুভ শক্তিৰ সঞ্চাৰেৰে শান্তিৰ পৃথিৱীখন গঢ়ি তুলিব। শেষত, সকলোৰে শান্তি-সমৃদ্ধিৰ কামনা কৰি উপনিষদৰ এটি শ্লোকেৰে আজিৰ লিখনিটো সামৰিলো।

ওঁ অসতো মা সদ্গয়ম
তমসো মা জ্যোতিৰ্গময়
মৃত্যু মা অমৃতং গময়
ওঁম শান্তি শান্তি শান্তি!❖

# Maggi May be Unhealthy, But These Memories Aren't

**Kasturi Gogoi**
2nd Semester, Zoology Dept.

Instant noodles and hostel life go hand in hand. Wem the hostellers, realy on Maggi a lot. Whether it's during chair break or lunch, it's our go to comfort food. Since we have to submit our phones at 5.20 PM and after prayer, we get a chair break till 6 PM, this is the most active and fun time in the hostel. We grab our chai, gather in our favourite rooms with friends and gossip over tea with bisquit packets, chips and chana. But sometimes, instead of just munching on snacks, we make Maggi.

Since we can cook it in an electric kettle, which we call a 'hot jar', we experiment with whatever ingredients we have. Some people add Maggi to a hotcase, mix the masala, pour hot water, and let it sit for a few miniutes. But for us, it's a whole different process. We crush the Maggi first, put it in the hot jar with masala and wather, then mix in chopped onion, crushed hajmola and lemon juice. We add extra water because we like it soupy. Once it's done, we sometimes top it with coriander, chana or chip for extra crunch.

But Maggi is more that just food- it's a part of our bonding. In the daytime, when we have our phones, we rarely come out of our rooms. We stay in bed, lost in our screens, sometimes even forgetting who's in the next room. But at night, when our phones are taken away, it's a different world. Suddenly, the hpstel feels alive. If not for this rule, maybe we wouldn't have know each other this well. At least you can't expect that from me, a total introvert. If I didn't have my old school friends- Prostuti, Gouri and Dollu - I

don't think I would have made an friends here. I can't get free with people easily. Eye contact makes me awkward and chatting is even harder.

But in the night, things change. We sit together, talking about everything and nothing at the same time. Gossip, laughter, deep conversations- things I never thought I'd be part of. Sometimes, we just listen, letting the words fill in the silence. Other times, we debate over the silliest things, like whether tea tastes better with sugar or no sugar. And, more often than not, a bowl of Maggi sits between us, a silent witness to our late night conversations.

Of course, we all know Maggi isn't the healthiest option. Too much sodium, too many preservatives- but in hostel life, convenience often wins over nutrition. We joke about how well regret it later, but for now, it's part of our memories. Maybe one day, I won't remember the rules of the food, but I'll miss these nights- the people, the ponds and the feeling of belonging. ❖

# মোৰ এটি মিঠা ভ্ৰমণ কাহিনী

দীপশিখা টায়ে
চতুৰ্থ যান্মাসিক

ভ্ৰমণ এই শব্দটি শুনাৰ লগে লগে সকলোৰে মনত এক আনন্দৰ সৃষ্টি হয়। ঠিক মোৰ ক্ষেত্ৰতো এনে এক আনন্দৰ সৃষ্টি হৈছিল, সেইদিনা বুধবাৰৰ দুপৰীয়াৰ সময়ত হঠাৎ মোলৈ এটা ফোনকল আহিল সেয়া মোৰ খুৰী আছিল। তেওঁ ক'লে যে শনিবাৰে মাজুলী যাম লগত তুমিও ব'লা। খুৰীয়ে দুদিনৰ আগত খবৰটো দিছে। মই কি কৰো কি নকৰো ভাবি থাকিলো। পিছত মই খুৰীক ক'লো মই যাম। যাম বুলি যে ক'লো খুৰীৰ তাৰ পিছত আৰু মই কল্পনাৰ দুনীয়াত গুচি গ'লো। মাজুলী যাম, কি পিন্ধি যাম, তাত গৈ কি কি কৰিম, কি চাম বহুত কল্পনা কৰিলো। তাৰ পিছত আমি শনিবাৰে ৰাতিপুৱাই মাজুলীলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। গৈ থাকোঁতে বগীবিল পাৰ হৈ পোৱা মায়া বজাৰত ৰ'লো। আগতে মানুহৰ মুখে মুখে শুনি আহিছিলো যে মায়াবজাৰত মানুহে নৰখাকৈ সেইটো পাৰ কৰিবই নোৱাৰি। সঁচাকৈ তাত মায়া আছে বুলিয়ে ক'ব লাগিব। আমি মাজুলী যাওঁতেও ৰ'লো আৰু তাৰ পৰা ঘৰলৈ উভতি আহোঁতেও তাত ৰ'লো আৰু বজাৰ কৰিছিলো। আৰু আমি ঠিক বাৰটা মান বজাত মাজুলীৰ মোৰ খুৰীৰ ঘৰ পালোগৈ। মোৰ খুৰীৰ গাঁওখনৰ নাম আছিল মলাপিন্ধা। তেওঁলোকৰ গাঁৱত আমাৰ মিচিং সমাজত পৰম্পৰাগতভাৱে চলি অহা পঃৰাগ উৎসৱ পাঁচ দিনীয়াকৈ অনুষ্ঠিত কৰা হৈছিল। গৈ পাই তাত সকলোৱে অলপ আৰাম কৰিলো আৰু আমাৰ মিচিং সমাজৰ নিজৰ সাংস্কৃতিক সাজ-পাৰ পৰিধান কৰি পঃৰাগ উৎসৱ অনুষ্ঠিত কৰা ঠাই ডুখৰলৈ গ'লো। তালৈ অহা সকলো আলহীক তেওঁলোকে খুব ধুনীয়াকৈ শুশ্ৰূষা কৰিছিলে আৰু নাচ-গান সকলোবোৰ হৈছিল। আমাৰ তাত বহুত জেগা চোৱাৰ কথা আছিলে আৰু ঠিক কথা মতে কাম আৰম্ভ হ'ল। পাছদিনাখন আমি মাজুলীত থকা কিছুমান ঠাই ফুৰিবলৈ গ'লো। তাত আমি ডেকাচাং, Ayang okum, okk jya resort আদি কেইখনমান ঠাই ফুৰিলো আৰু মাজুলী গড়মূৰ বুলি কোৱা ঠাইত নতুনকৈ খোলা বিশাল মাৰ্কেটখনলৈ গ'লো। আৰু দৰিয়াঘাট বুলি কোৱা দলংখন চাই আমি তাত থকা কলপাত ৰেস্তোৰেণ্টখনত খোৱা-বোৱা কৰি ঘৰলৈ উভতি গ'লো। এনেদৰেই দ্বিতীয় দিনটো পাৰ কৰিলো আৰু তাৰ তৃতীয় দিনা আমি মাজুলীৰ পৰা বহুত মধুৰ স্মৃতি লৈ ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। সেইটো সময়ত বৰ দুখ লাগিছিলে একেবাৰে এৰি আহিব মন নাছিলে। মাজুলীৰ পৰিৱেশটো বৰ মনোমোহা। তাৰ মানুহবোৰ খুব সহজ-সৰল। আৰু খুৰীহঁতৰ ঘৰৰ পৰা পুনৰ যাত্ৰা আৰম্ভ কৰাৰ পিছত আমি খুৰীৰ মিতিৰ-কুটুম্ব সকলোৰে ঘৰত সোমাই আহিছিলো। ধেমাজীত থকা মোৰ পেহীৰ ঘৰতো অলপ সময়ৰ কাৰণে সোমাই আহিলো। মানুহে কয় যে এক গুলিত দুই চিকাৰ বুলি। ঠিক আমাৰ লগতো তেনেকুৱাই হ'ল।❖

# মৰহা দুবৰিত পৰা নিয়ৰ

নিশিতা ফুকন
চতুৰ্থ যান্মাসিক

ৰাতিপুৱা চিলি-মিলি টোপনিত থকা কৰুণা ফুকন খিৰিকি ওচৰত থকা চৰাই দুটাৰ মাতত সাৰ পাৰে। কোঠাটোৰ ভেণ্টিলেটৰৰ ফুটা কেইটাইদি পুৱা ৰ'দৰ কোমল পোহৰ কণা মুখত পৰে। তাই এটা গভীৰ উশাহ লৈ বিছনাৰ পৰা নামি গ'ল। গা-পা ধুই আহি এডাল ধূপ জ্বলালে। মনৰ পৰা দুখবোৰ আঁতৰাই তাই ভাবিব ধৰিলে খাবলৈ কেৱল চাউল কেইটাৰ বাদে আন একো নাই। তাইৰ হাতত পইচাও নাই, কেৱল আছে এপাত খাৰু। আনফালে ল'ৰা-ছোৱালীহালে খাবলৈ নাপাই ফেকুৰিব ধৰিছে। কৰুণাই উপাই নাপাই হাতৰ খাৰু পাত বিক্ৰী কৰি দিলে। যিখিনি পালে তাৰে নিমখ, আলু কিনাৰ উপৰিও ল'ৰা-ছোৱালীহালক স্কুলত নাম লগাই দিলে। কৰুণাই ল'ৰা-ছোৱালীহালক ভাত-পানী খুৱাই পঢ়িবলৈ দি কাম বিচাৰি গ'ল। তাই থকা ভাড়াঘৰৰ মালিকৰ ঘৰতে তাই কাম পালে আৰু সেইদিনাৰ পৰাই কাম আৰম্ভ কৰিলে। এটা ঘৰত দিনটোত যিমানখিনি কাম ওলাই তাই সকলোবোৰ চাফ-চিকুণকৈ আৰু পৰিপাটিকৈ কৰি গ'ল। মালিকনীয়ে তাইৰ কামৰ মাজে-মাজে কান্দি থকা দেখিলে। মালিকনীয়ে তাইৰ দুখৰ কাৰণটো সোধাত তাইনো মালিকনীৰ আগত কি মিছাকে ক'ব সকলো সলসলীয়াকৈ কৈ গ'ল— তাই এজনী অতি সহজ-সৰল ছোৱালী আছিল। যৌৱনত ভৰি দিছিলহে মাত্ৰ তেনেতে তাইৰ জীৱনলৈ নিবিৰ ফুকন আহিল। নিবিৰৰ লগত সম্পৰ্কত অহাটো মাক-দেউতাকে ভালপোৱা নাছিল যদিও মাক-দেউতাকৰ কথা নুশুনি তাই নিবিৰৰ লগত বিয়া হৈছিল। তাই পিছতহে নিবিৰৰ চৰিত্ৰৰ কথা গম পালে। তাইক নিবিৰে সম্পত্তিৰ আশাতহে বিয়া কৰাইছিল। মাক-দেউতাকে যেতিয়া তাইক সম্পত্তিৰ ভাগ নিদিও বুলি ক'লে তেতিয়াৰ পৰাই তাইক নিবিৰে অত্যাচাৰ কৰিব আহে। দিনক দিনে নিবিৰৰ অত্যাচাৰ বাঢ়িল। তাইক অত্যাচাৰ কৰি হেঁপাহ নপলালে ল'ৰা-ছোৱালী হালক মাৰেগৈ, সিহঁতক পঢ়িবলৈ নিদিয়ে। ইমানবোৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি তাই ল'ৰা-ছোৱালীক লৈ তাৰ পৰা পলাই গুচি আহিলে। এতিয়া তাইৰ ওপৰত সতলো দায়িত্ব। তাই আনৰ ঘৰত কাম কৰি

হ'লেও ল'ৰা-ছোৱালীহালক খোৱাব লাগিব। কথাবোৰ কৈয়ে হুকহুকাই কান্দিব ধৰিলে। মালিকনীয়ে তাইক আশ্বাস দি ধৈৰ্য্য ধৰিবলৈ ক'লে। মালিকনীয়ে তাইক আশ্বাস দি ধৈৰ্য্য ধৰিবলৈ ক'লে। তাইৰ জীৱনলৈ সুখ আহিবই। কৰুণায়ো সেই দিনলৈ অপেক্ষা কৰিব।

দিন পাৰ হৈ গ'ল, বছৰ পাৰ হৈ গ'ল। কৰুণাই আনৰ ঘৰত কাম কৰিয়েই ল'ৰা-ছোৱালীহালক ডাঙৰ কৰিলে। ল'ৰা-ছোৱালীহালেও অতি অভাৱৰ মাজেৰে পঢ়ি শিক্ষিত মানুহ হ'ব পাৰিলে। প্ৰথমছোৱা সকলো পৰীক্ষাতে সুখ্যাতিৰে পাছ কৰা কাৰণে পিছৰছোৱা সিহঁত দুটাৰ পঢ়াৰ সকলো দায়িত্ব চৰকাৰে ল'লে।

কৰুণাৰ ছোৱালীজনী বৰ্তমান এগৰাকী চিকিৎসক। যাৰ চিকিৎসাৰে বহুতো ৰোগী আৰোগ্য হৈ উঠিছে। আৰু ল'ৰাজন এজন বিখ্যাত পুলি অফিচাৰ যাৰ কাৰণে নিবিৰ ফুকনৰ দৰে সকলো মানুহে ভয় কৰে। সি নিবিচাৰে অৰ্থাৎ তাৰ দেউতাকৰ দৰে মানুহ এই পৃথিৱীত থকাটো। সি মাকৰ দুখ ভালদৰে বুজি পায়। কৰুণাৰ মনত এতিয়া আনন্দই আনন্দ। তাই অপেক্ষা কৰা দিনটো তাইক দেখা দিলে। তাই এতিয়া আনৰ ঘৰত কাম কৰিব নালাগে। সুখৰ ফুলজোপা তাইৰ যে ঘৰত ফুলি উঠিল।❖

# সপোনৰ পূৰ্ণতা

মুস্কান বাৰ্মা
দ্বিতীয় যান্মাসিক

পূৰৱী সুন্দৰপুৰ গাঁৱৰ নিবাসী। তাইৰ দেউতাক এজন খেতিয়ক আৰু মাক ঘৰৰ গৃহিনী। সৰুৰ পৰাই পঢ়াত ভাল হোৱাৰ লগতে বিদ্যালয়ৰ সকলো অনুষ্ঠানতে তাই অংশগ্ৰহণ কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে বাবে তাই সকলোৰে প্ৰিয়। এবাৰ তাই পঢ়া বিদ্যালয়ত প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত হৈছিল আৰু তাত তাই সমগ্ৰ জিলাখনৰ ভিতৰত সাত নম্বৰ স্থান পাবলৈ সক্ষম হৈছিল। সেই সুখতে তাই মাক-দেউতাকে বিদ্যালয়ত সকলোকে চাহ-মিঠাই খোওৱাৰ লগতে তাইয়ো বহুতকে কিবা-কিবি খোৱালে। এনেকৈ তাই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাং কৰি ওচৰৰ বিদ্যালয়তে বিদ্যালয়ৰ তিনিটা বছৰৰ শিক্ষা সমাপ্ত কৰিছিল। সেই তিনিটা বছৰতো তাই নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি আগবঢ়াই লৈ গৈছিল নিজৰ পঢ়া-শুনা।

হাইস্কুলীয়া শিক্ষা ল'বৰ বাবে গাঁওখনত এখনো প্ৰাদেশীকৃত বিদ্যালয় নথকা বাবে তাইৰ দেউতাকে চহৰৰ এখন আগশাৰী বিদ্যালয়ত তাইক নামভৰ্তি কৰি দিলে। তাইয়ো চহৰত পঢ়া সপোনটো পূৰণ হোৱাত আনন্দমনেৰে সকলো কিতাপ-পত্ৰ গোটাই লৈ বিদ্যালয়লৈ অহা-যোৱা কৰিব ধৰিলে। কেইটামান মাহ ভয় লাগিছিল কাৰণ তাই স্কুলীয়া কালৰ কোনো বন্ধু-বান্ধৱী সেইখন কলেজত নামভৰ্তি কৰা নাছিল। সেইবাবে দেউতাকে তাইক অনা-নিয়া কৰিছিল।

তাই চহৰত গৈ পঢ়াৰ পৰা বহুত নতুন নতুন কথা শিকিলে। টিফিন কি চিনি নোপোৱা ছোৱালীজনীয়ে এতিয়া ঘৰত মাকক সদায় কয় যে মোক টিফিনত আলু-ৰুটি চব্জী ভৰাই দিবা। এনেকৈ দুটা বছৰৰ হাইস্কুলীয়া শিক্ষা শেষ কৰিলে পূৰবীয়ে।

ইয়াৰ পিছত কলেজ পঢ়িবলৈ তাই চহৰতে সিদ্ধান্ত ল'লে। কলেজীয়া জীৱনটো তাই সুন্দৰকৈ পাৰ হ'ল। পৰীক্ষাবোৰ ভবা মতে হ'ল। কলেজতে পঢ়ি থাকোত তাই সিদ্ধান্ত ল'লে যে তাই উচ্চ শিক্ষাৰ বাবে হোষ্টেলত থাকিব তাৰ পৰাই তাই ভালদৰে পঢ়িব। সেই আশা আগত ৰাখি তাই মনপুতি পঢ়াত লাগিল। চূড়ান্ত বৰ্ষৰ পৰীক্ষাত তাই সমান্তৰালভাৱে উত্তীৰ্ণ হ'ল। গাঁৱৰ মানুহে খবৰ খাতি ল'ব আহিল বেছি সুখী হৈছিল পূৰবী আৰু মাক-দেউতাক।

ইয়াৰ পিছত তাই তাৰ সপোনৰ কথা ক'লে মাক দেউতাকক। তাই মাক-দেউতাকে তাইৰ সপোনটো পূৰাব বুলি প্ৰতিশ্ৰুতি দিয়াত তাই কলেজ নিৰ্বাচন নামভৰ্তি কৰিলে তাৰ পিছত তাই আৰম্ভ কৰিলে নতুন যাত্ৰা।

ঠেকা খালে মানুহ বেছি শিকে বুলি কথাষাৰ আছে যে সেইয়া তাইৰ লগতো হ'ল। নতুন পৰিৱেশৰ বেছি নিজক মিলাব যাওঁতে তাই পাহৰি গ'ল তাইৰ উদ্দেশ্য, লক্ষ্য। পিছত যেতিয়া অনুষ্ঠিত হোৱা পৰীক্ষাত সফল হ'ব নোৱাৰিলে। তেতিয়া তাই নিজৰ ভুল বুজি পালে। তাই মনতে স্থিৰ কৰিলে যে তাই অসমৰ বৃহৎ পৰীক্ষাতো দিব আৰু মাক-দেউতাকৰ কষ্টবোৰ তাই নোহোৱা কৰিব তাই সেইমতে কলেজীয়া শিক্ষা শেষ কৰিবৰ ভুলবোৰ শুধৰাই পঢ়াত গুৰুত্ব দিলে। বনধু-বান্ধৱীৰ পৰা নিজক আঁতৰাই পঢ়াত মন দিলে। সেইমতে তাই কলেজীয়া শিক্ষা সফলতাৰে সমাপ্ত কৰিলে।

কলেজীয়া শিক্ষা সমাপ্তিৰ পিছত পূৰবীয়ে নিজৰ সপোনটো পূৰ কৰিবৰ বাবে আগশাৰী শিক্ষা প্ৰতিষ্ঠানত তাই নামভৰ্তি কৰিলে প্ৰায় তিনিবছৰীয়া পাঠ্যক্ৰমৰ অন্তত পৰীক্ষাত অৱতীৰ্ণ হ'ল তাই সফল হ'ল সুখ্যাতিৰে। নিজৰ গাঁওখনৰ তাই এই সফলতাত সুখী হ'ল। তাই এগৰাকী বিষয়া হোৱাৰ পিছত তাই মন্ত্ৰীবৰ্গ আৰু চৰকাৰক অনুৰোধ কৰিলে যে গাঁৱৰ হাইস্কুলখন প্ৰাদেশীকৃত কৰে। পূৰবী অনুৰোধত গাঁৱৰ হাইস্কুলখন প্ৰাদেশীকৃত হ'ল আৰু বৰ্তমান তাত গাঁৱৰ লগতে গাঁৱৰ ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালী অধ্যয়ন কৰি আছে।

পূৰবীৰ এই সহায়-সহযোগিতাৰ বাবে গাঁৱৰ গাঁওবাসীয়ে তাইক লৈ সদায় গৰ্ব কৰে। তাইয়ো সিমান ডাঙৰ বিষয়া হৈয়ো গাঁৱৰ সকলো সুখ-দুখত তাই খবৰ ৰাখে ঠিয় দিয়ে।❖

# Did You Ever Find Me?

**Kasturi Gogoi**
2nd Semester, Zoology Dept.

I found his name today.

It was buried in an old diary I hadn't opened in years, tucked between pages filled with careless doodles and half-written thongs. My finger tranced the letters and suddenly, I was back in that bus, years ago.

The ride was packed. My friend and I barely manages to get a seat before more passengers squeezed in. That's when the bus jerked, and someone almost stumbled onto me.

'Careful I said, looking up.

White shirt, black pants-him.

He looked at me too. A brief pause. No words.

I had sen him before. At the canteen, months ago. Just a glance, yet his face had stayed in my mind.

The bus moved again. A seat opened up, but instead of taking it, he let an elderly man sit.

I wanted to ask his name. Say something. But my stop came.

I turned back once before stepping off. He was still standing there, looking at me. We never meet again.

Until today- his name staring back at me from these old pages.

The ink was smudged, but the letters were still clear.

And under... in handwriting that wasn't mine

- Did you ever find me?❖

# সাঁথৰ

১। ছয় চৰণ, কাল বৰণ, থাকে ঘৰত চৰে হাবি-বনত— ভোমোৰা।

২। চাৰিটি আখৰে নামটো গঠিত, প্ৰথম দুই আখৰে বুজায় এবিধ ৰঙক, শেষ দুই আখৰে হয় অলংকাৰ, যিয়ে ক'ব পাৰে বুদ্ধি আছে তাৰ। — নীলমণি।

৩। জন্ম লৈয়ে কি বস্তু আকাশলৈ উৰে? — ধোঁৱা।

৪। ছালখন শুধ বগা, পেটটো হ'লে ক'লা। এইটোনো কি মোহনভাগ খাবলৈ দিয়া। — তিলপিঠা।

৫। মহামুৰ্খ মন্দমতি বুদ্ধিত বোলে বৃহস্পতি, সেয়ে নাই তাৰ গতি, হ'ব নোৱাৰিলে প্ৰভুভক্তৰ সঙ্গী। — শিয়াল।

৬। মনে মনে চুকত বহে, পৃথিৱীখন ভ্ৰমী ফুৰে। — ডাক টিকট।

৭। ভোঁ ভোঁ কৰে ভোমোৰা নহয়, ঠোঁট আছে কিন্তু পখী নহয়। — যঁতৰ।

— সংগ্ৰাহিকা
চাইনা বৰুৱা
চতুৰ্থ যান্মাসিক

# মহৎ লোকৰ বাণী

- সত্যৰ মুখামুখি হ'বলৈ ভয় নকৰিবা। যি কাপুৰুষ তেওঁহে সত্যৰ মুখামুখি হ'ব নোৱাৰে। — মহাত্মা গান্ধী
- তুমি তোমাৰ লক্ষ্যত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা, তেতিয়া দেখিবা যে তুমি কেতিয়াও অকৃতকাৰ্য নোহোৱা। — শেক্সপীয়েৰ
- জীৱনত উন্নতি কৰাৰ লগে লগে যিটো বিষয়ক আটাইতকৈ বেছি মূল্য দিয়া উচিত সেইটো হৈছে নম্ৰতা। — লালবাহাদুৰ শাস্ত্ৰী
- মানুহ হৈছে সপোনক দিঠকত পৰিণত কৰা শিল্পী। পৃথিৱীখন হ'ল শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনীশাল। — জ্যোতিপ্ৰসাদ আগৰৱালা
- প্ৰলোভনৰ উৰ্দ্ধত থাকিব পৰাজনেহে জীৱনক উপভোগ কৰিব পাৰে।— মহাত্মা গান্ধী

— সংগ্ৰাহিকা
কৰিনা টায়দ
চতুৰ্থ যান্মাসিক




প্ৰাক্তন আৱাসীৰ সৈতে বৰ্তমানৰ আৱাসী



দীপাৱলীৰ মুহূৰ্ত

# লেন্সৰ ভাষাৰে...



আকাংক্ষা দিহিঙীয়া



সঞ্চায়িকা বৰুৱা



কংকনা বুঢ়াগোহাঁই



প্ৰীতিৰেখা বুঢ়াগোহাঁই



নিশিতা চেতিয়া

# কলা বিথিকা



নম্ৰতা শইকীয়া



নম্ৰতা শইকীয়া




মুস্কান বাৰ্মা